কৰিছিল।

ড° ভূপেন হাজৰিকাৰ কণ্ঠত প্ৰাণ পাই উঠা শংকৰদেৱৰ বিৰচিত "শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা" শীৰ্ষক বৰগীতটোৰ জৰিয়তে মহাপুৰুষজনাই মধ্যযুগীয় বিধৰ্মী, দুস্কৃতিকাৰী আৰু অত্যাচাৰীসকলক সাৱধান বাণী শুনাইছিল। ড° দিলীপ কুমাৰ দত্তৰ মতে হাজৰিকাৰ সেই একে চিন্তাৰ প্ৰতিফলন ঘটিছে ১৯৬৪ চনত ৰচিত এই গীতটোত —

"আহ্
আহ্
ওলাই আহ্
সজাগ জনতা
'আহ্
আহ্
ওলাই আহ্
পোহৰ আনোতা..
ৰামৰে দেশতে থকা ৰাৱণ বধোতে
যায় যদি যায় জীৱনটো যাক। আহ্"।।

১৯৯৮ চনৰ ১ নৱেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰৰ শুভ উন্মোচন উপলক্ষে ৰচিত এক গীতত শংকৰদেৱৰ যে এগৰাকী প্ৰকৃত দুষ্কৃতিৰ বিনাশকাৰী আৰু ধৰ্মৰ জৰিয়তে যে বিভিন্ন জাতি জনগোষ্ঠীক সামৰি এক শ্ৰেণীহীন সমাজ গঢ়িব বিচাৰিছিল তাৰেই স্পষ্ট ইংগিত দিছে। তেওঁ লিখিছে -

"পাৰ ভাঙি দিলে শ্ৰীমন্ত শংকৰে
বহে ব্ৰহ্মাণ্ডক ভেদি
.......................
স্পৃশ্য অস্পৃশ্যৰ ভেদাভেদ নেমানি
সুন্দৰ সেনানী গঢ়ি
দুষ্কিৃতি নাশিলে শ্ৰীমন্ত শংকৰে
বান্ধি লৈ একতাৰ জৰী।।
গাৰোৰ গোবিন্দ নগাৰ নৰোত্তম
যৱনৰ জয়হৰি কৈৱৰ্ত্তৰ ৰাধিকা
মিছিঙৰ পৰমা আহোমৰ নৰহৰি
মোৰ গুৰু ঐ
কছাৰীৰ আছিলে ৰমাই"।।

অসমীয়া সংস্কৃতিৰ অক অমূল্য উপাদান সৰ্ব ভাৰতীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাত তেওঁ এক অসাধাৰণ কাম কৰিছিল। হাজৰিকাই ৰাষ্ট্ৰীয় সংগীত নাটক একাডেমীৰ অধ্যক্ষ হৈ থকাৰ সময়তে ২০০০ চনৰ ১৪ নৱেম্বৰত সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰে। ২০০৩ চনত 'অসম সত্ৰ মহাসভাই' বৃহৎ অসমীয়া সমাজৰ পৰা বিচিন্ন হৈ যোৱা জনজাতিসকলক ওভতাই অনাৰ উদেশ্যেৰে 'সেতু বন্ধন' বুলি এক জনজাতীয় ভাওনা অনুষ্ঠানৰ জন্ম দিয়ে। এই অনুষ্ঠানৰ অন্যতম প্ৰেৰণাদায়ক আছিল ভূপেন হাজৰিকা।

২০১০ চনত মুক্তি প্ৰাপ্ত পৰাণ বৰবৰুৱা প্ৰযোজিত আৰু সূৰ্য্য হাজৰিকাৰ দ্বাৰা পৰিচালিত অসমীয়া কথাছবি 'শ্ৰীমন্ত শংকৰদেৱ'ত কণ্ঠ দান কৰিও ভূপেন হাজৰিকাই নিজৰ অকৃত্ৰিম শংকৰ প্ৰীতিৰ কথা প্ৰমাণ কৰিছিল। উক্ত কথাছবিত নেপথ্য শিল্পী হিচাপে তেওঁ শংকৰদেৱৰ বিৰচিত 'গুণমালা'ৰ পদ আওৰাইছিল—

"ৰাম নিৰঞ্জন পাতক ভঞ্জন নমো নাৰায়ণ
সংসাৰ কাৰণ ভকত তাৰণ তোমাৰ চৰণ
তুমি নিৰঞ্জন পাতক ভঞ্জন দানৱ গঞ্জন
গোপীকা ৰঞ্জন বেদান্ত গায়ক বংশী বায়ক
জগত নায়ক মুকুতি দায়ক"।।

ঠিক তেনেদৰে এই কথা ছবিতেই নেপথ্য গায়ক হিচাপে কিংবদন্তি শিল্পীজনে মাধৱদেৱ বিৰচিত বৰগীত গাইছিল—

"আলো মঞি কি কহবো দুখ
পৰাণ নিগৰে না দেখিয়া চান্দ মুখ"

জীৱনৰ প্ৰায় তিৰাশী বছৰ বয়সত সংগীত পৰিবেশনা কৰা ভূপেন হাজৰিকাৰ কণ্ঠত পূৰ্বৰ সেই যাদু আৰু মাধুৰ্যতা নাছিল। কিন্তু বিষয়-বস্তুৰ গভীৰ উপলব্ধিৰে তাক স্বকীয় শৈলীৰে পৰিবেশন কৰি শ্ৰোতা দৰ্শকক মোহাচ্ছন্ন কৰি ৰাখিব পৰা সেই সন্মোহিনী শক্তি তেওঁৰ তেতিয়ালৈকে অটুত আছিল। উল্লেখ্য যে এই কথছবিখন ২০১০ চনৰ ২৭ মেত গুৱাহাটীৰ 'বন্দনা' চিত্ৰগৃহত প্ৰদৰ্শনৰ বাবে বিশেষ ভাৱে এক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানত ভূপেন হাজৰিকাই ৰুগীয়া দেহেৰেই অংশ গ্ৰহণ কৰিছিল।

শংকৰদেৱক জাতীয় গুৰু আৰু সংস্কৃতিৰ গুৰু হিচাপে গ্ৰহণ কৰা ভূপেন হাজৰিকাই শংকৰদেৱৰ প্ৰসংগত নিজে ৰচনা কৰা গীতত কণ্ঠদান কৰাৰ উপৰিও অন্য অসমীয়া শিল্পী সাহিত্যিকৰ উক্ত বিষয়কলৈ ৰচিত গীততো কণ্ঠ নিগৰাইছিল।

এনে এটি শংকৰ বন্দনা সূচক গীত হৈছে সাহিত্য সম্ৰাট লক্ষ্মীনাথ বেজবৰুৱা বিৰচিত "প্ৰেম প্ৰেম বুলি জগতে ঘুৰিলো, ঘৰতে আছিলে প্ৰেম"। কামৰূপী লোকগীতৰ শৈলীত পৰিবেশিত এই গীতটোক ভূপেন হাজৰিকাই এক অনন্য মাত্ৰা প্ৰদান কৰিছিল। ঠিক তেনেদৰে সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভা বিৰচিত — "গুৰু মোৰ শংকৰ তৰিবৰেনো কি উপায়" শীৰ্ষক গীতটোত কণ্ঠদান কৰিও ইয়াৰ বিষয়বস্তুক অধিক প্ৰাণময় কৰি তুলিছে।

শংকৰদেৱৰ অমৰ আৰু আপুৰুগীয়া সৃষ্টিসমূহ ড° হাজৰিকাই বিশ্বৰ চৌপাশে প্ৰচাৰ আৰু প্ৰসাৰ হোৱাটো আন্তৰিকতাৰে কামনা কৰিছিল। সেয়েহে একশৰণ ভাগৱতী সমাজ, অসমৰ দ্বাৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ এখনত এক শুভেচ্ছা বাণীযোগে তেওঁ গভীৰ আশাৰে লিখিছিল "..... এতিয়া সময় হ'ল শংকৰদেউক লুইতৰপৰা মিছিছিপি হৈ ভলগাৰ পাৰলৈ লৈ যোৱা, অটোৱাৰ পৰা অষ্ট্ৰিয়া হৈ পেৰিচৰ বুকুত বিলাই দিয়াৰ। এই কাম আমি সকলো অনুষ্ঠানে, প্ৰতিজন ব্যক্তিয়ে কৰিব লাগিব ...।"

এনেদৰে শংকৰদেৱক সন্মান জনাই শিল্পী জীৱনৰ পাতনি মেলা ভূপেন হাজৰিকা ওৰেটো জীৱন মহাপুৰুষজনাৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত আছিল। কেতিয়াবা যদি তেওঁৰ গীতসমূহৰ দ্বাৰা সামগ্ৰিক ভাৱে শংকৰদেৱৰ মূল্যায়ণ কৰিব বিচৰা হৈছে, কেতিয়াবা আকৌ কিছুমান গীতত শংকৰদেৱৰ সাম্যবাদী আদৰ্শৰ স্পষ্ট প্ৰভাৱ পৰিছে। শংকৰদেৱে যেনেকৈ ভক্তি ধৰ্ম আৰু তাৰ আলমত গঢ়ি উঠা সাংস্কৃতিক আন্দোলনৰ জৰিয়তে মধ্যযুগীয় অসমৰ সংস্কাৰ সাধন কৰিব বিছাৰিছিল, একেখিনি কামেই হয়তো সুধাকণ্ঠই কৰিব বিচাৰিছিল সংগীতৰ মাধ্যমেৰে আধুনিক অসমত। শংকৰদেৱ বিষয়ক গীত ৰচি বা সেই সমূহ পৰিবেশন কৰি মহাপুৰুষজনাৰ সাংস্কৃতিক উপাদানসমূহ অক্ষয় অম্লান কৰি ৰখাত তেওঁ সৰ্বতোপ্ৰকাৰে চেষ্টা কৰি এগৰাকী প্ৰকৃত শংকৰ অনুৰাগী বুলি পৰিচয় দিছিল। শংকৰদেৱৰ প্ৰভাৱত পৰি জীৱনজোৰা সাধনাৰ জৰিয়তে ভূপেন হাজৰিকাই যি সৃষ্টি কৰিলে সেইবোৰে আনক নহলেও অসমীয়া জাতিক সদায় মন্ত্ৰ মুগ্ধ কৰি ৰাখিব। ইয়াৰ বাবেই হয়তো একাংশ অসমীয়াই শংকৰদেৱৰ পিচতেই ভূপেন হাজৰিকাক শ্ৰেষ্ঠ অসমীয়া বুলি অভিহিত কৰিবলৈ আৰম্ভ কৰিছে।

প্ৰসংগ—

১। শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱঃ 'কীৰ্তন-ঘোষা আৰু নামঘোষা'
২। সম্পাদনা, বাপচন্দ্ৰ মহন্তঃ 'বৰগীত'
৩। ড° ভূপেন হাজৰিকাঃ 'মই এটি যাযাবৰ'
৪। ড° ভূপেন হাজৰিকাঃ 'নন্দন তত্বৰ কৰ্মীসকল'
৫। ড° দিলীপ কুমাৰ দত্তঃ 'ভূপেন হাজৰিকাৰ গীত আৰু জীৱনৰথ'
৬। সম্পাদনা, ৰবীন ভূঞাঃ 'ড° ভূপেন হাজৰিকা সৃষ্টি আৰু দৃষ্টি'
৭। সম্পাদনা, লাচিত বৰ্মন আৰু হিল্লোল কুমাৰ পাঠক ঃ 'মোৰ সমাধিত তোমাৰ সহাৰি'
৮। সম্পাদনা, অভিজিৎ গগৈ ঃ 'শিল্পীৰ পৃথিবী', ড° ভূপেন হাজৰিকা বিশেষ সংখ্যা'
৯। Arup Kr. Dutta : 'Bhupen Hazarika The Roving Minstrel'
১০। সূৰ্য্য দাস ঃ 'ড° ভূপেন হাজৰিকাৰ জীৱন আৰু সংগীতত শ্ৰী শ্ৰী শংকৰদেৱ', 'সাদিন'
কাকতত ২ আগষ্ট২০১৩ আৰু ১৬ আগষ্ট ২০১৩ চনত প্ৰকাশিত এক প্ৰবন্ধ।
১১। কমল কটকী, তথ্য দাতা - চিলেক্চন গ্ৰেড প্ৰৱক্তা, অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান, গুৱাহাটী, ভূপেন হাজৰিকাৰ ঘনিষ্ঠ সহযোগী তথা বিশিষ্ট গীটাৰ বাদক।

# আত্ম জীৱনী ঃ অসমীয়া সাহিত্যত ইয়াৰ স্থান

দিলুৱাৰা বেগম
প্ৰাক্তন ছাত্ৰী
(ধূপধৰা, গোৱালপাৰা)

আধুনিক অসমীয়া সাহিত্যত এক জনপ্ৰিয় আৰু আকৰ্ষণীয় সাহিত্য ৰূপ হৈছে আত্মজীৱনী। কবিতা, নাটক, চুটি গল্প, উপন্যাস, প্ৰবন্ধ ইত্যাদিৰ দৰে আত্মজীৱনী হৈছে সাহিত্যৰ এক শাখা বিশেষ। একোজন আত্মজীৱনীৰ মাজেৰে সমসাময়িক সমাজৰ প্ৰতিচ্ছবি এখনো প্ৰস্ফুটিত হয়। সাহিত্যত আত্মজীৱনীৰ বিশেষ গুৰুত্বপূৰ্ণ স্থান আছে। আত্মজীৱনীত বিষয় আৰু লেখক দুয়ো অভিন্ন। অৰ্থাৎ নিজে নিজৰ বিষয়ে লিখে। আত্ম প্ৰকাশৰ স্বতঃস্ফূৰ্ত চেতনাই লেখকৰ এই শ্ৰেণীৰ সাহিত্য সৃষ্টিত অৰিহণা যোগায়। লেখকৰ নিজৰ জীৱন পৰীক্ষাত আৰু বিশ্লেষিত হোৱা বাবে এই শ্ৰেণীৰ সাহিত্য ব্যতিক্ৰমৰ স্বচ্ছ দাপোণত প্ৰতিবিম্বিত হোৱাৰ সম্ভাৱনা প্ৰকট হয়। লেখকৰ নৈতিক সাহস আৰু সততাই এই শ্ৰেণীৰ সাহিত্যক অধিক মাত্ৰা প্ৰদান কৰে। অৱশ্যে আত্মজীৱনী এখন ব্যক্তি এজনৰ আত্ম বিশ্লেষণ প্ৰকাশক গ্ৰন্থৰ উপৰিও ব্যক্তিজনৰ সমসাময়িক সমাজৰ দলিল স্বৰূপেও আত্ম প্ৰকাশ কৰে।

ইংৰাজী Autobiography শব্দটোৰ বাবে অসমীয়া ভাষাত আত্মজীৱনী শব্দটোৰ ব্যৱহাৰ কৰা হৈছে। আত্মজীৱনী হৈছে নিজে নিজৰ বিষয়ে লিখা কাহিনী। Oxford Advanced Learner's Cictionary ত Autobiography শব্দটোৰ অৰ্থ এনেদৰে দিয়া হৈছে " The story of A Person's life written by that person; this type of writing Compare BIOGRAPHY" অৰ্থাৎ কোনো ব্যক্তিৰ সম্পৰ্কে ব্যক্তিজনে নিজে লিখা কাহিনী, এই লিখনিক জীৱনৰ লগত তুলনা কৰিব পাৰি। বুধীন্দ্ৰ নাথ ভট্টাচাৰ্যৰ মতে Autobiography শব্দটোৰ অৰ্থ হৈছে "Life is a person written by himself " অৰ্থাৎ আত্মজীৱনী নিজে লিখা জীৱন কাহিনী।

সাধাৰণ অৰ্থত আত্মজীৱনীত লিখকে নিজে নিজৰ জীৱনৰ বিষয়ে সঁচা কাহিনী উদঙাই দিয়ে। এজন ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈকে সমগ্ৰ জীৱন প্ৰক্ৰিয়া যেনেদৰে উপলব্ধি কৰে জীৱনৰ অন্তিম বয়সত ৰোমন্থন কৰি আত্মজীৱনীৰ মাজত লিপিবদ্ধ কৰি সুখ অনুভৱ কৰে। A Dictionary of Literary Terms নামৰ গ্ৰন্থত Autobiography সম্পৰ্কে এনেদৰে উল্লেখ আছে-The history of the character and art of a person written by hiself অৰ্থাৎ এজন ব্যক্তিয়ে নিজে নিজৰ জীৱন, চৰিত্ৰ আৰু কাৰ্যাৱলীৰ বিষয়ে লিখা ইতিহাস। কোনো আত্মজীৱনীয়ে লেখকৰ সম্পূৰ্ণ জীৱন সামৰি ল'ব নোৱাৰে। কিয়নো লেখকে জীৱনৰ শেষ মুহূৰ্ত্তলৈ বা মৃত্যুৰ আগমুহূৰ্ত্তলৈ জীৱনৰ সম্পূৰ্ণ কথা লিখিব নোৱাৰে। আত্মজীৱনী লেখকে যিকোনো সময়তে বা যেতিয়া ইচ্ছা কৰে তেতিয়াই সামৰণি মৰাত বাধা নাই। মাথোন লক্ষ্য ৰাখিব লাগে যে পাঠকে পঢ়াৰ পিছত যেন আধৰুৱা বুলি অনুভৱ কৰে।

সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিয়ে আত্মজীৱনী ৰচনা কৰিব পাৰে, কিন্তু সকলো শ্ৰেণীৰ আত্মজীৱনীয়ে সমাজত স্থান নাপাবও পাৰে। প্ৰকাশভংগী আৰু বিষয়বস্তুৰ উপস্থাপন নীতি আকৰ্ষণীয় হ'লে আত্মজীৱনী এখনে সমাজত সমাদৃত আৰু জনপ্ৰিয়তা অৰ্জন কৰিব পাৰে। সাহিত্যই সৰ্বসাধাৰণ পাঠকক আনন্দ কৰাৰ দৰে আত্মজীৱনী এখনেও সাহিত্য ৰূপ হিচাপে পাঠকৰ অন্তৰআত্মা চুই যাব পাৰে আৰু বহু সময়ত আনন্দ প্ৰদানো কৰিব পাৰে।

সাহিত্যত প্ৰতিবিম্বিত হোৱা সমসাময়িক সমাজৰ বিভিন্ন দিশৰ লেখিয়া আত্মজীৱনী গ্ৰন্থ এখনৰ মাজেৰেও সমসাময়িক সমাজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন ধৰণৰ চিত্ৰ ফুটি উঠা দেখা যায়। সমসাময়িক সমাজৰ বিভিন্ন দিশৰ সম্যক জ্ঞান অৰ্জনৰ বাবে আত্মজীৱনী অধ্যয়নৰ প্ৰয়োজনীয়তা নথকা নহয়। আত্মজীৱনী অধ্যয়নৰ জৰিয়তে ব্যক্তি এজনে তেওঁৰ দৃষ্টিৰে নিজেই ওচৰৰ পৰা বিশ্লেষণ কৰিব

পাৰে বিশ্ব সাহিত্যত আত্ম পৰিচয় টোকাৰ ৰূপত আত্মজীৱনী বহু আগৰ পৰাই আছিল। অৱশ্যে এই শ্ৰেণীৰ সাহিত্যৰ এক সুস্থ আৰু শক্তিশালী ৰূপত সৃষ্টি কৰা গ্ৰন্থখন হ'ল খ্ৰীঃ ৩৯৭-৮০১ ৰ ভিতৰত ৰচিত চেণ্ট আগষ্টাইনৰ Confussions গ্ৰন্থ।

পৃথিৱীৰ বিভিন্ন ভাষাত সাহিত্যত আত্মজীৱনী ৰচিত হোৱাৰ দৰে অসমীয়া সাহিত্যতো আত্মজীৱনী ৰচিত হৈছে। অসমীয়া সাহিত্যত পোন প্ৰথমে হেমকোষ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাই আত্মজীৱনী ৰচনা কৰাৰ পথ মুকলি কৰিছিল যদিও অসম্পূৰ্ণ অৱস্থাতেই লুপ্ত হ'ল। গতিকে অসমীয়া সাহিত্যৰ প্ৰথমখন আত্মজীৱনী আত্মপ্ৰকাশ কৰে হৰকান্ত শৰ্মা মজুমদাৰৰ 'হৰকান্ত সদৰামীনৰ আত্মজীৱনী' নামৰ গ্ৰন্থখন। এইখনেই হৈছে আধুনিক যুগৰ প্ৰথম পুৰুষত লিখা প্ৰথমখন আত্মজীৱনী। অৱশ্যে প্ৰকৃতিগত দিনৰ পৰা এই আত্মজীৱনীখন নিখুত যদিও ৰূপগত দিশৰ পৰা এইখনক প্ৰকৃত আত্মজীৱনীৰ শাৰীত থ'ব পৰা নাযায়। ডায়ৰি বা দিনলিপি বুলিলিহে উচ্চ হ'ব। আজিৰ পৰা প্ৰায় ডেৰশ বছৰ আগত কুমুদ চন্দ্ৰ বৰদলৈয়ে সম্পাদনা কৰি উলিওৱা পুথিখন অৱশ্যে ১৯৬০ চনতহে প্ৰকাশ হয়। প্ৰকাশৰ ফালৰ পৰা ই অসমীয়া সাহিত্যৰ দ্বিতীয়খন আত্মজীৱনী। এই আত্মজীৱনীখনৰ জৰিয়তে পুৰণি অসমৰ সমাজ সংস্কৃতিৰ বিষয়ে বিভিন্ন কথাৰ সম্ভেদ পাব পাৰি।

অসমীয়া সাহিত্যত প্ৰকৃতাৰ্থত নিভাঁজ আত্মজীৱনীৰ শাৰীত থোৱা প্ৰথম পুথিখন হ'ল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ (১৯৪৪)' নামৰ পুথিখন। এই আত্মজীৱনীখন ১৯২২ খ্ৰীঃৰ পৰা (বাঁহী) আলোচনীখনত ধাৰাবাহিক ভাবে প্ৰকাশ হৈছিল। ৰচনাৰ ফালৰ পৰা দ্বিতীয় হ'লেও গ্ৰন্থকাৰে প্ৰকাশ পোৱা মোৰ জীৱন সোঁৱৰণখনেই প্ৰথম অসমীয়া আত্মজীৱনী। সহজ সৰল স্বাভাৱিক প্ৰকাশভংগীৰে ৰচিত অসমীয়া সমাজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন দিশ প্ৰকাশ হোৱা এই আত্মজীৱনীখনৰ মাজেদি বেজবৰুৱাৰ আত্মব্যংগ আৰু আত্মসমালোচনাত প্ৰকাশ হৈছে।

পদ্মনাথ গোহাঞি বৰুৱাৰ আত্মজীৱনীখনৰ নাম হ'ল 'মোৰ সোঁৱৰণী (১৯৭১)'। এই আত্মজীৱনীখনৰ জৰিয়তে ঊনবিংশ শতাব্দীৰ শেষ আৰু বিংশ শতাব্দীৰ আদি ভাগৰ সামাজিক আৰু ৰাজনৈতিক পৰিৱেশ আৰু পদ্মনাথ গোহাঞি বৰুৱাৰ পুথি ৰচনাৰ পৰিৱেশ আৰু পৰিস্থিতি তথা পাৰিবাৰিক জীৱনৰ কথা জানিব পাৰি। পদ্মনাথ গোহাঞি বৰুৱাৰ সমসাময়িক বেণুধৰ ৰাজখোৱাৰ আত্মজীৱনীখনৰ নাম হ'ল 'মোৰ জীৱন দাপোণ (১৯৬৯)'। এই আত্মজীৱনীখনতো ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আদি ভাগৰ সামাজিক, অৰ্থনৈতিক, শৈক্ষিক আদি পৰিৱেশৰ লগত ৰাজখোৱা পৰিয়ালৰ ইতিবৃত্তও বৰ্ণিত হৈছে। বেণুধৰ ৰাজখোৱাৰ আত্মজীৱনীখনৰ দৰেই হলধৰ ৰাজখোৱাৰ আত্মজীৱনী। অতীতৰ সোঁৱৰণীত ৰাজখোৱা পৰিয়ালৰ লগতে বিংশ শতিকাৰ আদিভাগৰ শিৱসাগৰ, ডিব্ৰুগড়, জয়পুৰ অঞ্চলৰ বহুতো পুৰণি পৰিয়ালৰ লগত থকা সম্পৰ্ক, সমসাময়িক সমাজৰ বিভিন্ন নীতি-নিয়ম, চাকৰি জীৱনত লাভ কৰা বিভিন্ন অভিজ্ঞতা, বাল্যকালৰ দুষ্টালিৰ উল্লেখ পোৱা যায়।

পদ্মধৰ চলিহাৰ আত্মজীৱনী 'জীৱন বীণৰ সুৰ'ৰ মাজেদি তেখেতৰ নৈতিক সাহসৰ পৰিচয় আৰু শিৱসাগৰ নগৰৰ বিংশ শতাব্দীৰ ইতিহাসৰ বিৱৰণ পোৱা যায়। তেখেতৰ জীৱনৰ অভিজ্ঞতাৰ সৰস বৰ্ণনাৰ মাজেদি সেই সময়ত শিৱসাগৰৰ ৰক্ষণশীল সমাজ ব্যৱস্থাৰ বহু কথাই প্ৰকাশ পাইছে।

বেণুধৰ শৰ্মাই লিখা কংগ্ৰেছৰ 'কাঁচিয়ালি ৰ'দত (১৯৫৯)' আৰু কৃষ্ণ নাথ শৰ্মাৰ 'কৃষ্ণ শৰ্মাৰ ডায়েৰি(১৯৭২)' দুয়োখন আত্মজীৱনীত ৰাজহুৱা জীৱনৰ আধিক প্ৰাধান্য দিয়া হৈছে। প্ৰতাপ চন্দ্ৰ গোস্বামীৰ আত্মজীৱনী 'জীৱন স্মৃতি আৰু কামৰূপী সমাজ, (১৯৭১)ৰ মাজেদি গোস্বামীৰ ব্যক্তিগত আৰু পাৰিবাৰিক জীৱনৰ পৰিচয় পোৱা যায়। ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আদিভাগৰ কামৰূপী সমাজৰ প্ৰতিচ্ছবি প্ৰকাশ পাইছে। পণ্ডিত নজৰ আলীৰ আত্মজীৱনী 'মোৰ জীৱনৰ কিছু কথা (১৯৬৯) সৰ্ব সাধাৰণক আকৰ্ষিত কৰিব পৰা এখন মৰমলগা আত্মজীৱনী গ্ৰন্থ।

ব্যক্তিগত বা পাৰিবাৰিক জীৱনৰ বৰ্ণনাতকৈ ৰাজনৈতিক জীৱনৰ অধিক প্ৰাধান্য দিয়া ৰাজনীতিৰ লগত জড়িত বহুকেইজন ব্যক্তিৰ আত্মজীৱনী পোৱা যায়। আজীৱনী কংগ্ৰেছ কৰ্মী আৰু অসম প্ৰদেশ কংগ্ৰেছৰ অন্যতম কৰ্ণধাৰ মহম্মদ তৈয়বুল্লাৰ 'কাৰাগাৰৰ চিঠি' নামৰ আত্মজীৱনীখন আঙুলিয়াব পাৰি। কাৰাগাৰৰ চিঠি এখন পূৰ্ণ কলেৱৰৰ আত্মজীৱনী। দেখাত যদিও কংগ্ৰেছৰ বুৰঞ্জী যেন লাগে তথাপি এইখনক তৈয়বুল্লৰ আত্মজীৱনী হিচাপে প্ৰাধান্য পাইছে। নিজৰ জীয়েকহঁতলৈ কাৰাগাৰৰ পৰা দিয়া চিঠিৰ মাধ্যমত প্ৰকাশ কৰা গ্ৰন্থখনত পৰিয়ালটোৰ ইতিবৃত্তৰ পৰা কংগ্ৰেছৰ বহু তথ্যপূৰ্ণ বিৱৰণলৈকে অনেক কথা এই আত্মজীৱনীখনৰ মাজেৰে প্ৰকাশ হৈছে।

স্বাধীনতা সংগ্ৰামে লাভ কৰা আন কেইখনমান আত্মজীৱনী হ'ল লক্ষ্মীধৰ শৰ্মাৰ 'জীৱন স্মৃতি(১৯৭৩)', দীননাথ মেধিৰ 'বিয়াল্লিছত এৰি অহা দিনবোৰ (১৯৬৯)' আদিৰ অৱশ্যে এই কেইখন আত্মজীৱনীত লেখককেইজনৰ জীৱনৰ একো একোটা প্ৰধান স্তৰৰ কথাহে পোৱা যায়। স্বাধীনতা আন্দোলনৰ প্ৰবীন মুক্তিযোদ্ধা দেৱেশ্বৰ শৰ্মাৰ 'হেৰুৱা দিনৰ কথা (১৯৮০)' খন বৃহৎ কলেৱৰৰ আত্মজীৱনী। ই কেৱল লেখকৰ ব্যক্তিগত জীৱনৰ সুখ-দুখ পোৱা-নোপোৱাৰ অভিজ্ঞতাৰে পুষ্ট নহয়, ইয়াত ১৯২১চনৰ পৰা আদি শতাব্দীৰে অধিক কাল অসমৰ ৰাজনৈতিক ঘটনা, পৰিঘটনাৰ বিৱৰণ আৰু পৰিৱৰ্ত্তনৰ এক প্ৰত্যক্ষ দৰ্শী তথা ওতঃপ্ৰোতভাৱে ব্যক্তি জীৱনৰ মূল্যায়নো অংকিত কৰিছে।

খণ্ডিত আত্মজীৱনী ৰচনা কৰি থৈ যোৱা বিশিষ্ট সাহিত্যিক আৰু নেতাৰ ভিতৰত উল্লেখ কৰিব পাৰি অমিয় কুমাৰ দাসৰ 'জীৱন স্মৃতি', ডিম্বেশ্বৰ নেওগৰ 'অতীতৰ মাধুৰী', অম্বিকাগিৰি ৰায় চৌধুৰীৰ 'মোৰ জীৱন ধুমুহাৰ এছাটি', বেণুধৰ শৰ্মাৰ 'মেজৰ পৰা মজিয়ালৈ', জ্ঞানদাভিৰাম বৰুৱাৰ 'মোৰ কথা' আদিৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য। অসমীয়া মহিলাৰ আত্মজীৱনী হিচাপে আত্ম প্ৰকাশ কৰা আত্মজীৱনীৰ ভিতৰত পোন প্ৰথমে উল্লেখ কৰিব পাৰি ৰাজবালা দাসৰ 'তিনিকুৰি দহ বছৰৰ স্মৃতি' নামৰ গ্ৰন্থখনৰ কথা। গ্ৰন্থখন প্ৰকাশ হৈছিল ১৯৭১ চনত। বিংশ শতিকাৰ আৰম্ভণিত অসমীয়া সমাজৰ বিভিন্ন দিশৰ প্ৰতিচ্ছবি প্ৰকাশ পাইছে। বিশেষকৈ অসমীয়া সমাজত স্ত্ৰীশিক্ষাৰ প্ৰসাৰত তেখেতৰ ভূমিকা আৰু ব্যক্তিগত জীৱনৰ বিভিন্ন প্ৰসঙ্গৰ লগতে নাৰীৰ সামাজিক স্থান সম্পৰ্কে পূৰ্ণ চিত্ৰ পোৱা যায়।

১৯৭৭ চনত প্ৰকাশ পায় পদ্মশ্ৰী নলিনীবালা দেৱীৰ আত্মজীৱনী 'এৰি অহা দিনবোৰ।' এই গ্ৰন্থখনিও তেখেতৰ জীৱনৰ ব্যক্তিগত, সামাজিক, সাহিত্যিক, ৰাজনৈতিক জীৱনৰ বিভিন্ন কথাৰে পৰিপুষ্ট।

১৯৮৮ চনত অসমীয়া সাহিত্যৰ এখনি ব্যতিক্ৰমধৰ্মী আত্মজীৱনী প্ৰকাশ পায় হোমেন বৰগোহাঞিৰ 'আত্মানুসন্ধান'। এই আত্মজীৱনীখনত তেখেতৰ জীৱনৰ প্ৰথমাৰ্দ্ধৰ ব্যক্তিগত অভিজ্ঞতা প্ৰকাশ কৰিছে যিবোৰ তেখেতক লেখক হোৱাত সহায় কৰিলে। হোমেন বৰগোহাঞিয়ে তেখেতৰ জীৱনৰ মাজ বয়সত ৰচনা কৰা আত্মানুসন্ধান এখন ব্যতিক্ৰমী আত্মজীৱনী। তেওঁৰ পৰৱৰ্ত্তী সাহিত্য সৃষ্টিত সন্নিবিষ্ট কৰা যিবোৰ ঘটনা বা অভিজ্ঞতা বৰ্ণিত কৰিছে, সেইবোৰ সৃষ্টি কৰা সাহিত্য কৰ্মৰাজি গ্ৰন্থখনিৰ উপসংহাৰত লেখকৰ দ্বাৰাই সংকলিতও হৈছে। অৰ্থাৎ এনে এখন ব্যতিক্ৰমী আত্মজীৱনী অসমীয়া সাহিত্যত দ্বিতীয় এখন এতিয়াও ৰচিত হোৱা নাই।

১৯৮৮ চনত কেইবাখনো আত্মজীৱনী প্ৰকাশে অসমীয়া সাহিত্য সমৃদ্ধ কৰিছে। হোমেন বৰগোহাঞিৰ আত্মানুসন্ধানৰ পিছত মামনি ৰয়ছম গোস্বামীৰ 'আধা লেখা দস্তাবেজ' নামৰ আত্মজীৱনীখনৰ কথা উল্লেখ কৰিব পাৰি। আধা লেখা দস্তাবেজ এখন উপন্যাসধৰ্মী আত্মজীৱনী। মামনি ৰয়ছম গোস্বামীৰ জীৱনৰ একান্ত ব্যক্তিগত অভিজ্ঞতাৰ সমাহাৰ। যিবোৰ অভিজ্ঞতাই তেখেতক লেখিকা হোৱাৰ অনুপ্ৰেৰণা যোগাইছে। আত্মজীৱনীখনত এজনী অসমীয়া ছোৱালী আৰু এগৰাকী অসমীয়া তৰুণ মহিলাৰ জীৱনৰ সমস্ত ঘটনা লুক-ঢাক নকৰাকৈ প্ৰকাশ কৰিছে। এই আত্মজীৱনীখনো অসমীয়া সাহিত্যত এখন ব্যতিক্ৰমী আত্মজীৱনী হিচাপে স্থান পাইছে।

'জীৱনৰ দীঘ আৰু বাণী, (১৯৮৮) চনত প্ৰকাশ হোৱা মহেশ্বৰ নেওগৰ এখন উল্লেযোগ্য আত্মজীৱনী। বিদ্যায়তনিক দিশক প্ৰাধান্য দিয়াত গ্ৰন্থখন অনবদ্য ভাষা, ৰীতি আৰু মোহনীয় প্ৰকাশভঙ্গীৰ বাবে এক মূল্যায়ন সাহিত্য গ্ৰন্থ। লেখকৰ জীৱনকালত অসমত বিদ্যায়তনিক দিশক গুৰুত্ব প্ৰদান কৰা এখন উন্নতমানৰ গ্ৰন্থ। বাল্যকালৰ অসমীয়া সমাজৰ যি ছবি ইয়াত অংকিত হৈছে, সিও পাতলীয়া হাস্যৰসিক ভঙ্গীৰ মনোমহা। (গোবিন্দ প্ৰসাদ শৰ্মাৰ জীৱন আৰু আত্মজীৱনী অসমীয়াত আৰু প্ৰাচাত্যত পৃঃ১৭৭)

শ্ৰীময়ীত ধাৰাবাহিকভাৱে প্ৰকাশ পায় নিৰুপমা বৰগোহাঞিৰ 'বিশ্বাস আৰু সংসয়ৰ মাজেদি' নামৰ আত্মজীৱনীখন ১৯৯৩ চনত। তাৰেই পৰিবৰ্দ্ধিত সংস্কৰণ প্ৰকাশ পায় ১৯৯৫ চনত। জীৱনৰ সকলো প্ৰত্যাহ্বান সাহসেৰে গ্ৰহণ কৰিব পৰা এইগৰাকী মহিলা সকলো সময়ৰ নাৰীৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

১৯৯৯ চনত প্ৰকাশিত হয় বিংশ শতিকাৰ অন্তিমখন অসমীয়া মহিলাৰ আত্মজীৱনী মাধুৰী চৌধুৰীৰ 'সোঁৱৰণিৰ ৰূপ কথা'। লেখিকাই তেওঁৰ আত্মজীৱনীৰ আৰম্ভণিতে উল্লেখ কৰিছে এনেদৰে - আত্মকথাৰ আৰম্ভণিতে মই মোৰ পৰিচয় অলপ ভয় ভয়েৰে দিবলৈ ওলাইছো কাৰণ আজিকালি সেই সমাজ নাই, যিখন সমাজৰ কথা ক'বলৈ ওলাইছো। সেয়ে হয়তো মোৰ পৰিচয় কিছুমানৰ কাৰণে বিদ্বেষপূৰ্ণ হ'ব পাৰে। মই বেলতলাৰ শেষ ৰজা স্বৰ্গীয় ৰাজেন্দ্ৰ নাৰায়নদেৱৰ একমাত্ৰ

কন্যা। মোৰ মাতৃ ৰাণী লক্ষীপ্ৰিয়া দেৱী। ইয়াত ৰাজকন্যাৰ দৃষ্টিৰে অসমৰ বজা জমিদাৰসকলৰ ইতিহাস ঘনিষ্ট আৰু বিশ্বস্ত ৰূপত প্ৰকাশ পাইছে।

বিংশ শতিকাৰ আটাইকেইখন মহিলা আত্মজীৱনীৰ জৰিয়তেই সমসাময়িক অসমীয়া সমাজৰ সামাজিক সাংস্কৃতিক বিভিন্ন দিশৰ লগতে সমাজত নাৰীৰ স্থান সম্পৰ্কেও জানিব পাৰি। এগৰাকী বহুমুখী প্ৰতিভাৰ অধিকাৰী পুষ্পলতা দাসৰ আত্মজীৱনী 'স্মৃতি কথা' প্ৰকাশ পায় ২০০২ চনত। সমাজ সংস্কাৰৰ পৰা আৰম্ভ কৰি সাহিত্য চৰ্চালৈকে বিভিন্ন কথা উল্লেখ থকা এই আত্মজীৱনীখনত পুষ্পলতা দাসৰ ব্যক্তিত্ব উজ্জ্বল ৰূপত প্ৰকাশ হোৱাৰ লগতে সমকালীন সমাজৰ দলিল হিচাপেও গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে।

'মই আৰু নেফা' ড° ইন্দিৰা গগৈৰ এখন উৎকৃষ্ট মানৰ আত্মজীৱনী প্ৰকাশ কৰি উলিয়াই SPCTRUM PUBLICATION এ। এইখন অসমীয়া সাহিত্যৰ এক মূল্যবান সম্পদ। এই আত্মজীৱনীখনৰ মাজেৰে নৰ্থ ইষ্ঠ ফ্ৰণ্টিয়াৰ এজেঞ্চি চমুকৈ নেফা অঞ্চলৰ জনজাতীয় লোকসকলৰ মাজত শিক্ষাৰ পোহৰ বিলাবলৈ গৈ ইন্দিৰা মিৰিয়ে লাভ কৰা অভিজ্ঞতাৰ বিৱৰণ আছে। প্ৰান্তিকৰ পাতত ছোৱা-ছোৱাকৈ প্ৰকাশ হোৱাৰ পিছত ২০০৮ চনত গ্ৰন্থ আকাৰে প্ৰকাশ পোৱা এখনি উৎকৃষ্টমানৰ আত্মজীৱনী হ'ল ড° নিৰ্মলপ্ৰভা বৰদলৈৰ আত্মজীৱনী-'জীৱন বৰ অনুপম' নামৰ গ্ৰন্থখন। এইখন অগতানুগতিক আত্মজীৱনী। জীৱনৰ বিভিন্ন সংঘাতপূৰ্ণ অৱস্থাক প্ৰত্যাহ্বানৰূপে গ্ৰহণ কৰিও জীৱনৰ অনুপম বুলি উপলব্ধি কৰিছে। চন তাৰিখৰ উল্লেখ নথকা এই গ্ৰন্থখনিত বৰদলৈৰ জীৱনৰ বিভিন্ন প্ৰসংগ মনোৰম ৰূপত বৰ্ণিত হৈছে।

প্ৰান্তিকৰ পাছত ধাৰাবাহিকভাবে প্ৰকাশ হোৱা এখনি আত্মজীৱনী হ'ল ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'জীৱনবৃত্ত' নামৰ গ্ৰন্থখন। ১৯৭৭ চনৰ ডিচেম্বৰ মাহত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হিউষ্টন নগৰত লেখিবলৈ লোৱা পুথিখন ১৯৯৯ চনত গুৱাহাটীত সমাপ্ত কৰিছিল। গ্ৰন্থখন প্ৰথম প্ৰকাশ হৈছিল ২০০৩ চনত আৰু দ্বিতীয় প্ৰকাশ হৈছিল ২০০৬ চনত। নিজৰ জন্মৰ সময়ৰ কথা উল্লেখ নথকা গ্ৰন্থখনত ড° ভবেন্দ্ৰনাথ শইকীয়াই জীৱনৰ শেষ বয়সত বাল্যকালৰ ছবি অংকিত কৰাৰ প্ৰয়াস কৰিছে। তেওঁৰ ডায়েৰীৰ পাতত জীৱনৰ যিখিনি কথা লিপিবদ্ধ হোৱা নাই সেইখিনি সময়ৰ কথা তেওঁ সত্য আৰু শুদ্ধতৰ ক্ষেত্ৰত সততাৰে উপস্থাপন কৰিছে।

অসমীয়া সাহিত্য জগতত এগৰাকী আগশাৰী বুদ্ধিজীৱি খ্যাত ড° হীৰেণ গোহাইৰ তিনিটা খণ্ডৰে পৰিপুষ্ট আত্মজীৱনীখন ইতিপূৰ্বে প্ৰকাশিত হৈছে। তিনিটা খণ্ডৰে বেলেগ বেলেগ নামেৰে নামাংকিত কৰা হৈছে। ২০০৫ চনত পদাতিক প্ৰকাশ গোষ্ঠীয়ে ইয়াৰ প্ৰথম খণ্ডটি 'বতাহত কাৰ গধূলি গজালি' খণ্ডটি প্ৰকাশ কৰে। দ্বিতীয় খণ্ডটি ২০০৭ চনত 'হেঙুল আকাশ', 'কলা চাইকেল', 'এজন আৰোহী', বনলতাই প্ৰকাশ কৰে আৰু তৃতীয় খণ্ডটি হ'ল 'সপোনৰ দিকটো বনত।' ২০০৯ চনত জ্যোতিপ্ৰকাশনে প্ৰকাশ কৰে। আত্মজীৱনীখনত ড° হীৰেণ গোঁহাঞি নিজৰ ভাষাত মই এইখন কালানুক্ৰমিক আত্মজীৱনী বা ঐতিহাসিক বৃত্তান্ত লিখিবলৈ লোৱা নাই। নিজৰ কথা ক'বলৈ গৈ আন সকলো কথা পাহৰি যোৱাৰ বৃদ্ধজনোচিত বিকাৰে এতিয়াও মোৰ গাত লম্ভা নাই বুলিয়েই ধাৰণা কৰোঁ। মোৰ স্মৃতিৰ মাজেৰে চকামকাকৈ আৱিষ্কাৰ কৰোঁ চিৰকাললৈ হেৰাই যাব ধৰা এখন পৃথিৱী আৰু সেইখনতে ধুলিয়ে-বালিয়ে লেটি লৈ ৰ'দ, বতাহ, বৰষুণৰ কোমল কঠিন আপডালৰ মাজেৰে গঢ় লোৱা সত্তাৰ ক্ৰমে অস্পষ্ট হৈ অহা চেহেৰাটো ধৰি ৰাখিবলৈ প্ৰয়াস কৰিছোঁ।

অসমীয়া সংগীত জগতৰ ইতিহাসৰ এক উজ্জ্বল নক্ষত্ৰ ড° ভূপেন হাজৰিকাৰ আত্মজীৱনীমূলক ৰচনা 'সোঁৱৰণী মোৰ ৰাঙলী জীৱনৰ' আৰু 'মই এটি যাযাবৰ'। মই এটি যাযাবৰ এখন অনুলিখিত আত্মজীৱনী। ড° নগেন শইকীয়াৰ আত্মজীৱনী 'সিপাৰত তুমি কল্পনা মোৰ(১৯২৬-২০০৬)'। নীলমনি ফুকনৰ আত্মজীৱনী 'পাতি সোণাৰুৰ ফুল' প্ৰকাশ পায় ১৯৩৯ চনত। ১৯৯০ চনত মহেন্দ্ৰ বৰাৰ 'উপলা নদীৰ দৰে' নামৰ আত্মজীৱনীখন প্ৰকাশ পায়। আত্মজীৱনীখনত লেখকৰ জীৱনৰ সকলো দিশ সামৰি লোৱাৰ উপৰিও অসমীয়া সমাজৰ ৰাজনীতি, সমাজনীতি, অৰ্থনৈতিক আদিৰ দিশত মহেন্দ্ৰ বৰাৰ পৰ্যবেক্ষণ, মতামত আদিও প্ৰকাশিত হৈছে। ইয়াৰ উপৰিও 'স্মৃতিলেখা (১৯৮১)', অতুল চন্দ্ৰ হাজৰিকা 'মোৰ সোঁৱৰণ' (১৯৭১), ৰাজেন্দ্ৰ লাল উজীৰ, 'মোৰ জীৱন যাত্ৰাৰ কথা' (১৯৮০), 'ধনাই', মোৰ কথা', হিৰণ্য কুমাৰ ভট্টাচাৰ্য, 'কাৰাৰুদ্ধ জীৱনৰ বাকৰুদ্ধ কাহিনী' (১৯৮৪), পীৰ্ণেশ্বৰ দিলিঙীয়াৰ আত্মজীৱনীত 'স্মৃতি ৰোমন্থন'(১৯৮৫), 'মোৰ সাংবাদিক জীৱন' (১৯৮৯), হোমেন বৰগোহাঞি, ত্ৰৈলোক্যনাথ গোস্বামীৰ 'অতীতৰ কথা' (১৯৮৯), মহিম বৰাৰ 'পাখি লগা দিন' (১৯৮১) পৰিভ্ৰনাথ শৰ্মাৰ 'মুক্তিযোদ্ধাৰ

জীৱন যুদ্ধত' (১৯৯২), 'একান্ত নির্জন' (১৯৯৮), বীৰেশ্বৰ বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামীৰ 'মনৰ জীয়া উৰে' (১৯৯৪), চৈয়দ আব্দুল মালিকৰ 'মোৰ জীৱনৰ নহ'লবোৰ", আৰু 'মোৰ জীৱনৰ আগে পাছে', 'মোৰ বাবে', নীলিমা দত্তৰ 'লুইতৰে পানী যাবি ঐ বৈ', কেশৱ মহন্তৰ 'প্ৰিয়তম এই জীৱন' (২০০৬), তিলক হাজৰিকাৰ 'আবেলিৰ ছাঁ' ইত্যাদি আত্মজীৱনী গ্ৰন্থই অসমীয়া সাহিত্য জগতত স্থান দখল কৰিছে।

আত্মজীৱনী এখন এক সাহিত্য ৰূপ। ইয়াক ব্যক্তি এজনৰ জীৱন আৰু কাৰ্য্যাৱলীৰ ইতিহাস ৰূপেওঁ পাব পাৰি। আত্মজীৱনী অধ্যয়নে সাহিত্য পাঠৰ আনন্দ পাঠকৰ মনত বোৱাই দিয়ে। কাৰণ পাঠকে মানুহৰ জীৱন তথা সমসাময়িক সমাজখনৰ বিভিন্ন দিশৰ সম্যক জ্ঞান লাভৰ সুযোগ পায়। সেয়ে সাহিত্যই সুস্থ বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত আত্মজীৱনীয়ে গুৰুত্বপূৰ্ণ স্থান দখল কৰিব পাৰিছে।

## গ্ৰন্থপঞ্জী


দাস, ৰাজবালা ঃ তিনিকুৰি দহ বছৰৰ স্মৃতি, প্ৰথম প্ৰকাশ, ১৯৭১ চন। (প্ৰকাশিকা নিজে)।

দেৱী, নলিনী বালা ঃ এৰি অহা দিনবোৰ, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী দ্বিতীয় প্ৰকাশ ১৯৯৪।

ডেকা, হাজৰিকা, ড° কবীৰ ঃ অসমীয়া সাহিত্যৰ ৰূপ-ৰস, বনলতা, গুৱাহাটী, চতুৰ্থ প্ৰকাশ ১৯৮৮।

গোস্বামী, যতীন্দ্ৰনাথ ঃঅসমীয়া সাহিত্যৰ চমু বুৰঞ্জী, অসম বুক ডিপো, গুৱাহাটী, ষষ্ঠ-সংস্কাৰ, ২০০২।

গোস্বামী, হেমচন্দ্ৰ ঃ অসমীয়া সাহিত্যৰ চানেকি, কলকতা বিশ্ববিদ্যালয়, প্ৰথম প্ৰকাশ, ১৯২৮।

গোহাঞি বৰুৱা, পদ্মনাথ ঃ মোৰ সোঁৱৰণী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, তৃতীয় প্ৰকাশ, ২০০৩।

নেওগ মহেশ্বৰ ঃ আধুনিক অসমীয়া সাহিত্য, নিউ বুক ষ্টল, গুৱাহাটী , প্ৰথম প্ৰকাশ ১৯৬৫।

বৰগোহাঞি, হোমেন ঃবিংশ শতাব্দীৰ অসমীয়া সাহিত্য, অসম সাহিত্য সভা, যোৰহাট, প্ৰথম প্ৰকাশ, ১৯৬৭।

ভৰালী, ড০ শৈলেন ঃআধুনিক অসমীয়া সাহিত্যৰ ইতিহাস, শতাব্দী প্ৰকাশন, প্ৰথম প্ৰকাশ ১৯৯৪।

শৰ্মা, গোবিন্দ প্ৰসাদ ঃ জীৱন আৰু আত্মজীৱনী অসমীয়াত আৰু পাশ্চাত্যত, ষ্টুডেণ্টচ্, গুৱাহাটী সপ্ত সংস্কৰণ, ১৯৯৬।

শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ চৰিত সাহিত্য, সাহিত্যৰ আবাস, দত্ত বৰুৱা এণ্ড গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৬৩।

# ৰেঞ্জাৰিংঃ এক অনুভূতি

জ্যোতিপ্ৰভা অধিকাৰী
প্ৰাক্তন ছাত্ৰী

সেয়া আছিল ২০০৭-২০০৮ ইং শিক্ষা বৰ্ষ। হাইস্কুলৰ দেওনা পাৰহৈ এক নতুন দিগন্তলৈ খোজলোৱাৰ প্ৰথম দুৱাৰ স্বৰূপে এই মহামিলনৰ মহাতীৰ্থলেখিয়া প্ৰতিষ্ঠান জৱাহৰলাল নেহৰু মহাবিদ্যালয়খনতে এক সদস্যৰূপে যোগ হ'লোঁ। লগে লগে যোগদান কৰিলোঁ অমৃতপ্ৰভা ৰেঞ্জাৰ টিমত। জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকো-এই অঞ্চলৰ এখন প্ৰমুখ উচ্চ শিক্ষা প্ৰতিষ্ঠান। আৰু অমৃতপ্ৰভা ৰেঞ্জাৰ টিম এই মহাবিদ্যালত থকা ভাৰত স্কাউট গাইড অসমৰ এটা দল।

হাইস্কুল পৰ্যায়ত 'স্কাউট এণ্ড গাইড'ৰ এজনী সক্ৰিয় সদস্যা স্বৰূপে ইয়াৰ সৈতে মোৰ এক ঘনিষ্ঠ তথা আত্মীক সম্পৰ্ক। সেয়ে গতানুগতিক ভাবেই মহাবিদ্যালয়ত পাঠ্যক্ৰমিক শ্ৰেণী সমূহৰ লগতে ৰেঞ্জাৰৰ (কলেজত গাইডক ৰেঞ্জাৰ বোলে) বিশেষ শ্ৰেণী সমূহো আগবাঢ়িল। হাইস্কুল পৰ্যায়ৰ 'ৰাজ্য পুৰস্কাৰ গাইড', 'শ্ৰেষ্ঠ গাইড (ৰাষ্ট্ৰীয় পৰ্যায়) হোৱাৰ বাবে অমৃত প্ৰভা ৰেঞ্জাৰ টিমৰ নতুন সদস্য সকলে প্ৰশিক্ষণত আমাৰ ৰেঞ্জাৰ লিডাৰ বিজয়া ডেকা বাইদেউক সহায় কৰি দিছিলোঁ। বৰ্তমানেও আমাৰ মহাবিদ্যালয়ৰ "অমৃত প্ৰভা ৰেঞ্জাৰ টিম" অসমৰ ভিতৰতে এক পৰিচিত তথা শীৰ্ষ স্থানৰ ৰেঞ্জাৰ টিম হিচাপে সকলোৰে মাজত জনাজাত।

ৰেঞ্জাৰ লিডাৰ বিজয়া বাইদেউৰ নেতৃত্বত আমি স্কাউটিঙৰ কাৰ্যসূচী তথা মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্য্যসূচী যেনে -মহাবিদ্যালয় সপ্তাহ, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস, শিক্ষক দিৱস, পৰিবেশ দিৱস আদি বিভিন্ন অনুস্থান সমূহত এই ৰেঞ্জাৰ টিমৰ সদস্যা সকলে বিশেষ ভূমিকা লৈ যাবতীয় কামকাজ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰে। বিভিন্ন ঠাইত স্কাউট/গাইডৰ ৰাজ্যিক কাৰ্য্যালয়ে আয়োজন কৰা কেম্প সমূহত চাৰভিচৰ বাবে আমাৰ টিমৰ সদস্যা সকলক বিশেষভাৱে আহ্বান জনোৱা হয়। বিভিন্ন কেম্প যেনে-ৰোভাৰ ৰেঞ্জাৰ মিট, Rally, Summer Camp, Rajya Puraskar Testing Camp আদি। মই এই Camp সমূহত অমৃতপ্ৰভা টিমক প্ৰতিনিধিত্ব কৰিছিলোঁ। উল্লেখ্য যে ২০১০ চনত চামতা পথাৰত অনুষ্ঠিত হোৱা ৰাজ্যিক পৰ্যায়ৰ "ৰোভাৰ-ৰেঞ্জাৰ মিট" ত অসম ভিত্তিত মই "শ্ৰেষ্ঠ ৰেঞ্জাৰ"ৰ সমান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। লগতে আমাৰ টিমে মুঠ ১১টা পুৰস্কাৰ লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ বুটলি আনিছিল। এই ৰেঞ্জাৰ টিমত অংশগ্ৰহণকাৰী মোৰ লগতে আন ৰেঞ্জাৰ সকল হ'ল - চন্দনা কলিতা, মীনাক্ষী কোচ, ববিতা বড়ো, মাকণ কলিতা আৰু কৰিস্মা ৰাভা। আজৰি সময়ত আমি সকলোৱে বিভিন্ন সামগ্ৰী বনাবলৈ শিকিছিলো। যেনে- কাপোৰৰ ফুল, ঊণৰ ফুলৰ মালা, পাপৰ, আচাৰ আদি। দেশ প্ৰেমমূলক গীত-নৃত্যৰ আখৰা কৰিছিলোঁ। আমি পোন্ধৰ আগষ্ট আৰু ২৬ জানুৱাৰীত গান্ধী মৈদানত আয়োজিত 'কুচকাৱাজ'ত কেবাবাৰো অংশগ্ৰহণ কৰিছিলোঁ আৰু দেশ প্ৰেমমূলক গীত পৰিৱেশন কৰিছিলোঁ। কুচকাৱাজ প্ৰতিযোগিতাত এবাৰ যুটীয়াভাৱে দ্বিতীয় আৰু এবাৰ তৃতীয় স্থান পাইছিলোঁ।

ইয়াৰ উপৰিও বিভিন্ন গেজেট সমূহ বনাই তাৰ উপযোগিতা আৰু ব্যৱহাৰিকতাৰ বিষয়েও শিকিলো।

মোৰ মানসিক, আবেগিক, সমাজিক, সাংস্কৃতিক আদি সৰ্বাংগীন দিশত বিকাশ তথা আত্ম প্ৰকাশৰ ক্ষেত্ৰত স্কাউট/গাইডৰ এক অগ্ৰণী ভূমিকা আছে। মহাবিদ্যালয় পৰ্যায় থাকোতেও বিশেষ সৌভাগ্য যে 'হেড কুৱাটাৰ'ৰ অনুমতি অনুসৰি মই গাইড স্বৰূপে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ Integration camp সমূহত ভাগ লোৱাৰ সুবিধা পাইছিল। ২০১০ চনত বাংগালুৰু, ২০১১ চনত পঞ্জাৱত অনুস্থিত Integration camp ত অসমক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পোৱাৰ লগতে পাঞ্জাবৰ camp ত ভাৰতৰ ভিতৰত "শ্ৰেষ্ঠ গাইড"ৰ সন্মান লাভ কৰিছিলো। ইয়াৰ উপৰিও লাভ কৰিছিলো অভিজ্ঞতা, জ্ঞান আৰু দেশৰ সৰ্বদিশৰ অসংখ্য বন্ধু-বান্ধৱী।

ৰেঞ্জাৰ স্তৰৰ প্ৰথম উচ্চ শ্ৰেণীৰ পৰীক্ষা হৈছে "নিপুন পৰীক্ষা"। ৰেঞ্জাৰ লিডাৰ বিজয়া বাইদেউৰ সহযোগত ১০ জনী ৰেঞ্জাৰে পূৰ্ণ প্ৰস্তুতি চলালোঁ। পৰীক্ষা হৈছিল State Training Centre, Chamatapather, Bharat Scout Guide Assam ত। বাইদেউৰ লগতে পৰীক্ষা দিবলৈ গ'লো। সকলো ধৰণৰ যাৱতীয় কাৰ্য তথা লিখিত আৰু ব্যৱহাৰিক পৰীক্ষাসমূহত সুখ্যাতিৰে অৱতীৰ্ণ হৈ সেই বৰ্ষৰ শীৰ্ষ স্থানত আৰোহণ কৰাৰ সৌভাগ্য হৈছিল। আমাৰ টিমৰ মুঠ দহগৰাকী ৰেঞ্জাৰে এই পৰীক্ষা দিছিলো। পূৰৱী, কৰিস্মা, মীনাক্ষী, পুষ্পাঞ্জলি, মাকন, চন্দনা, কবিতা আৰু ভনিতায়ো এই পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

অমৃতপ্ৰভা ৰেঞ্জাৰ টিমৰ 'নিপুন' পৰীক্ষাত অৱতীৰ্ণ আৰু উত্তীৰ্ণ হোৱা আমিয়েই প্ৰথম দল।

ৰেঞ্জাৰ তথা সকলো স্কাউট/গাইডৰ আটাইটকৈ শ্ৰেষ্ঠ তথা চূড়ান্ত পৰীক্ষা হৈছে-"ৰাষ্ট্ৰপতি পুৰস্কাৰ' পৰীক্ষা। এই পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে প্ৰায় সকলো প্ৰস্তুতি অতি মনোযোগ তথা নিষ্ঠাৰে কৰিছিলোঁ। প্ৰয়োজনীয় "Log book" তথা Project" সমূহো প্ৰস্তুত কৰি উলিয়ালোঁ। Project-ৰ বাবে গাঁৱলৈ গৈ মানুহবোৰৰ বিষয়ে বিশেষ সমীক্ষা অনুসৰি তথ্য যুগুতালোঁ। কেইবাখনো সজাগতা সভা-"পৰিয়াল পৰিকল্পনা", খোৱা পানী, বন সংৰক্ষণ আদিৰ ওপৰত আয়োজন কৰা হ'ল। ৰাইজৰ সঁহাৰিও যথেষ্ট পৰিমাণে পোৱা গৈছিল। উপযুক্ত ফটোসমূহ 'Log book' ত লগোৱা হৈছিল। আমি সম্পূৰ্ণ ৰূপে পৰীক্ষাৰ বাবে সাজু হ'লোঁ।

অৱশেষত ৩০ অক্টোবৰ, ২০১০-ৰ দিনাপৰীক্ষাৰ সূচী অনুসৰি ৰেলেৰে পৰীক্ষা কেন্দ্ৰ হাৰিয়ানালৈ যাত্ৰা কৰিলোঁ। সহযাত্ৰী হ'ল মোৰ সতীৰ্থ ৪ গৰাকী ৰেঞ্জাৰ পূৰৱী, মাকণ, কৰিস্মা, মীনাক্ষী আৰু আমাৰ ৰেঞ্জাৰ লিডাৰ বিজয়া ডেকাবাইদেউ। গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰিছিলোঁ প্ৰথমে দিল্লীলৈ বুলি। যাত্ৰাৰ কিছু ঘণ্টাৰ পিছতে সংঘটিত এটা দুৰ্ঘটনাই আমাৰ মাজত এক ক্ষন্তেকীয়া কিন্তু আজীৱন স্মৰণীয় আতংক হৈ ৰ'ল। আমি তেতিয়া অসমৰ সীমা পাৰ হোৱাই নাই । মোৰ এটি অভ্যাস, ৰেলত কেতিয়াও ৰাতি টোপনি নামাৰোঁ। কিন্তু সেই দিনাখন হয়তো বিধিৰেই বিধি, ৰাতি প্ৰায় ২বজাত মোৰ চিলমিলকৈ টোপনি আহিল। কিবা এক হুলস্থুল টোপনি ভাঙি উচাং খাই উঠি চিটত বহিলোঁ। দেখিলো দবাৰ প্ৰথম এপাৰ্টমেণ্টত মানুহৰ জুম আৰু কাৰোবাৰ কান্দোন মিশ্ৰিত কণ্ঠস্বৰ। ক্ষন্তেকতে গম পালোঁ যে সেয়া আমাৰ গুৰু বিজয়া বাইদেউৰ মাত। কাষলৈ ততাতৈয়াকৈ গৈ গম পালোঁ, কোনো অজ্ঞাত কু-মনোবৃত্তিৰ ব্যক্তিয়ে বাইদেউৰ ভেনিটি বেগটো, য'ত তেওঁৰ কেমেৰা, ম'বাইল, কিছু টকা, ATM কাৰ্ড, আমাৰ ফটো আৰু বহুতো দৰকাৰী কাগজ আছিল, সেইবোৰ লৈ গ'ল। বাইদেউ কিছু ভাগি পৰিল যদিও পিছলৈ সহজ হ'ল। আমি সকলো পুনৰ সচকিত হৈ পৰিলোঁ। যাই নহওক আমি গোধপুৰী (হাৰিয়ানা) পালোঁ। হাৰিয়ানা গৈ পায় অতি নিপুনতাৰে পৰীক্ষা দিলোঁ। পৰীক্ষকে মোৰ পৰীক্ষা সমূহ ভাল হোৱা বুলি শলাগিলে। আশা কৰিলো ৰাষ্ট্ৰপতি পুৰস্কাৰ পাম। পিছে ক'ত বা কি খোকোজা লাগিল, ফলাফলত গম পালো অসমৰ কোনেও উত্তীৰ্ণ নহ'ল। অৱশ্যে এই পৰীক্ষাত বহিব পোৱাটো এক Îü ÌöÅå Ê1 ßÅ ±ä Ů ýÅå ¿öÊ1ÅëÅ~ à ßÅ1Åö ü ±åÅ Îü ২০১২ ইং চনত উত্তৰ পূৰ্বাঞ্চলৰ পৰা এই পৰীক্ষাত বহিবলৈ আমাৰ কলেজেহে একমাত্ৰ যোগ্যতা অৰ্জন কৰিছিল। ইমান বিপদৰ পিছতো বাইদেৱে আমাক গাইড দি আনিলে সেইকথা সদায় মনত থাকিব।

পৰীক্ষাৰ সামৰণিৰ পিছত দিল্লীলৈ আহি তাত থাকি কিছু ঠাই চালোঁ। অতি মনোৰম সেই অভিজ্ঞতা। তাৰ পিছতেই আমাৰ যাত্ৰাৰ অন্ত পৰিল বকোলৈ ঘূৰি আহি ৰেঞ্জাৰ টিমৰ সদস্য হিচাপে বহু কথাই মনত থাকিব। বিশেষকৈ ৰেঞ্জাৰ লিডাৰ বিজয়া বাইদেউ আৰু ৰেঞ্জাৰ বান্ধৱী সকলৰ কথা। বাইদেৱে সদায় আমাক শৃংখলাবদ্ধভাৱে আৰু সময়মতে কাম কৰাৰ ওপৰত গুৰুত্ব দিছিল। আনকি ছোৱালী হিচাবে যাতে আমি পিচপৰি নাথাকো আৰু পঢ়াশুনা সময়মতে কৰো সেই কথাটোৰ ওপৰত গুৰুত্ব দিছিল। 'Mirror' ৰেঞ্জাৰ টিমৰ প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰাৰ সময়ত দুবাৰমান আমি বাইদেউৰ ঘৰতহে লগ হৈ কৰিছিলোঁ। গৰমৰ বন্ধত প্ৰায়ে বাইদেউৰ লগত ৰেঞ্জাৰ টিমৰ কামবোৰ কৰিছিলোঁ। গাঁৱলৈ গৈছিলোঁ। বাইদেৱে নিজৰ কাম ক্ষতি হ'ব বুলি কোনো দিনে কোৱা নুশুনিছিলোঁ। উপৰাষ্ট্ৰপতি পুৰস্কাৰৰ বাবে বিভিন্ন কাম কৰোঁতেও বাইদেউ আমাৰ লগতে ঘূৰি ফুৰিছিল। ৰাষ্ট্ৰপতি পৰীক্ষাৰ বাবে লাগতিয়াল প্ৰস্তুতি চলাওতে বাইদেউৰ ঘৰ আৰু আমাৰ ঘৰত আমি পাঁচোজনী ৰেঞ্জাৰে মিলি কৰিছিলোঁ। আৰু এটা কথা—পইছাৰ অভাৱত আমাৰ টিমে কোনো দিনে একো নকৰাকৈ থাকিবলগীয়া হোৱা নাচিল। বাইদেৱে নিজৰ হাতৰ পইছা দি আমাক নিশ্চিত হৈ থাকিব দিছিল। এই কথা উনুকিয়াব বিচাৰোঁ যে স্কাউট গাইডৰ ক্লাছ কৰিবলৈ হাইস্কুলত এটা পিৰিয়ড থাকে। সেই দৰে কলেজতো এটা পিৰিয়ড থাকিলে ৰেঞ্জাৰসকলে যাৱতীয় স্কাউটিং পাঠ্যক্ৰমত আগবঢ়াত বেছি সুবিধা হ'ব।

B.A. পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজীয়া জীৱনৰ অন্ত পৰিল। কিন্তু জে.এন. কলেজ আৰু অমৃত প্ৰভা ৰেঞ্জাৰ টিমৰ কথা সদায় মনত থাকিব। আনুষ্ঠানিক ভাৱে সক্ৰিয় ৰেঞ্জাৰ নহ'লেও মই সদায় গাইড তথা ৰেঞ্জাৰ হৈ থাকিম, কাৰণ Once a guide for ever guide.

জয়তু অমৃত প্ৰভা ৰেঞ্জাৰ টিম।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।

# NAVIGATING THE NETWORK

**Ratnamala Sarma**

**Asst. Prof. Department of English**

Technology has become interwoven into the fabric of the life of this generation like it had never been till now. So much so that those who have been born after the 1980's have been called the Net Generation or those born after the 1990's and in this decade have come to be called the iGeneration.It has been found through studies that kids in their 20s,spend nearly two hours a day talking on the phone and use e-mail frequently. The iGeneration spends considerably more time texting (sending SMS) than talking on the phone, pays less attention to television than the older group and tends to communicate more over instant-messenger networks like Whatsapp,Instagram,Twitter,Hike and more. Today, teenagers are more focused on the virtual worlds; virtual socializing or socializing via the social networks might be just as fulfilling or maybe more than a party or a movie. They share the minute details of their lives online, stay connected to their friends at all times, buy goods online and own one super-smart-device that does it all. This bunch of young adults also have the ability to do multiple tasks at one and the same time, sometimes carrying out six to seven tasks simultaneously. They expect an instant response from everyone they communicate with, and won't have the patience if it takes a moment longer. But the children, teenagers and young adults who are passing through this cauldron of technological change are sometimes not aware of the intricacies of navigating around this genie-like tool which has engulfed their lives .There are numerous evils associated with letting oneself be engulfed by the cyberspace. There is for instance the problem of intergeneration communication and understanding (parents, teachers vs. youth). Taking into account egocentric and individualistic attitudes of today's teenagers, one can draw a conclusion, that the sense of the common good ceases to be an important value for them. This lack of an appropriate value system is that the existence of social bonds is threatened. A natural outcome of such a state of affairs is the phenomenon of growing violence and loneliness among the young people. Adolescence is a critical time the time of substantial transformations:

1. physical -changes in physical appearance and the hormonal processes in the organism.

2. psychological -emotional shifts often affecting the so far stable relationships within family and peer groups, or reshaping the individual's value systems).

3. social -the end of the primary school and transfer to the high school and adapting to the new school environment.

All these changes often lead to the so-called teenage identity crisis. Tension, stress and the impression of not being able to come to terms with reality often leads them to adopt an attitude that usually comes off as awkwardness in the eyes of the adults. Teenagers spend less and less time with their parents, and more with their peers.They would be more likely to participate actively in their own entertainment, through some or the other social networks.While being immersed in this virtual world they may however be unaware of the lurking dangers and the negative aspects of the Internet which include Internet addiction, online risks such as exposure to sexually explicit material ,online victimization and cyber bullying and sexual solicitation.

1. Internet Addiction:

Excessive Internet use is emerging as one of the more negative aspects of young people's online activities. Such extreme use is also termed as 'compulsive Internet use', 'problematic Internet use',

'pathological Internet use', 'Internet dependence', 'computer addiction' and 'net addiction'. This addiction is characterized by using Internet to escape from negative feelings, continued use of the Internet despite the desire to stop, experience of unpleasant emotions when Internet use is impossible, thinking about the Internet constantly, and the experience of any other conflicts or self-conflicts due to Internet use. This leads to a drop in academic performance, alienation from family due to the need to hide their excessive Internet use from parents, degradation of physical health (caused by sleep deprivation ) and mental health and problems.

2. Exposure to sexually explicit material :

Exposure to sexually explicit material on the net is a serious concern as there is evidence that such exposure may lead to sexual exploration among youth. Moreover, online victimization, online harassment and sexual solicitation is a like a predator lurking around to catch the young ones unawares. Online harassment may be in the form of threats or other offensive behavior sent online to the youth or posted online about the youth for others to see. Sexual solicitation may come in the form of requests to engage in sexual activities or sexual talk or to give personal sexual information by an adult to someone younger.

Using the internet and some time spent in social networking through the virtual media could be advantageous to some extent. But there are also numerous disadvantages to consider. Could the time spent interacting online, be put to better use? Is it beneficial to devote so much attention to online activity. Social networking also offers many benefits. It is now easier than ever to keep in contact with old friends and colleagues. LinkedIn is a particularly valuable business tool; over 200 million people are members, including hiring managers from many top companies. Your profile is designed to function as an online resume, detailing your education, career history and your creative portfolio. The Internet itself was founded and grew because scientists wanted to share information. Gradually, the rest of the people also joined in. Sharing your knowledge is fun. However Information on the Internet is very public, and can seen by anyone in the world including criminals and scamsters, future employers, and governments. Sometimes very innocent comments can be taken out of context or misinterpreted. Though the cyberspace seems like an impersonal entity, it should be kept in mind that no one is anonymous in this arena. What is written in an e-mail or posted in any internet site or social network site can be traced back to its originator .Therefore it is essential to keep in mind to be extremely cautious in using the internet and to be mindful of netiquette (net-etiquette) in all that is put up on that screen.

❂❂❂

# HUMAN RIGHTS AND THE POSITION OF WOMEN

Alimpa Bhuyan Baruah
**Asst. Professor, Dept. of English**
**J. N College, Boko**

1.1 **Human Rights-what is it?**

The United Nation defines Human Rights as-

"Human rights are those rights, which are inherent in our nature and without which we cannot live as human beings. Human Rights and fundamental freedoms allow us to fully develop and use our human qualities, our intelligence, our talents and our conscience and to satisfy our spiritual and other needs."

To what extent a person is privileged to employ human rights invites much debate as a person's definition of human rights changes with the circumstance that he is embroiled in. Whatsoever every government must create conditions to guarantee those rights and freedoms defined as human rights despite the fact that the materialization of those is a challenging feat. That everyone needs to realise humanity to be a common element of understanding of human rights irrespective of one's background is a much demanding issue awaiting discussion. It is the requisite of every human being to lead a life observing the basic human rights principles. John Locke advocated the idea of "natural rights" as the beginning theory for "life, liberty, and property, residing with individuals". This notion was furthered by Jean Jacques Rousseau who opined that when an individual becomes a part of the civil society he/she interchanges the right to life, liberty and equality for civil rights which the government safeguards for the individual's sake.

Human Rights are commonly also known as fundamental rights or natural rights and cannot be snatched by any legislature and without them the world would witness crumbling of one's morals.

Human Rights - a 20th century construct was renamed after the earlier phrase of fundamental rights. The term came into existence in the United States Declaration of Independence in 1776 with the U.S constitution embodying a Bill of Rights. In India the constitution which came into effect in 1950 included a part of Fundamental Rights of the citizen. The Protection of Human Rights Act, 1993 of India declares Human Rights as-

"The rights relating to liberty, equality and dignity of the individual guaranteed by the Indian Constitution as embodied in the Fundamental Rights and the International covenants."

It is seen that with civilization on its progress, the issue of Human Rights is gaining momentum and people are able to benefit from their basic freedom and thereby have a dignified existence. From the 18th century the law of nature started the protection of the individual in opposition to the power of the state and reached its climax in the great general declaration of the Rights of Man in France in 1789 and the United States Constitutional Amendment of 1791. Then by the time of the World War I, the concept of Human Rights was decided to be between the individual and the state, as well as between minorities and the large communities. As per the post war settlement, protection of human rights was achieved through the Minorities Treatises, and founding of the Mandate system and the International Labour Organisation. Then there is the convention on the political rights of Women which insists on giving women the right to vote, to be elected to office, to hold public office and also carry on public functions, at par with man.

1.2 **Human rights and Women:**

The human Rights of women was passed for the first time in Vienna, at the 1993 World Conference on Human Rights, and thereafter in Beijing again at

the 1995 fourth World Conference on Women, and once again at the 1999 national Association of Social Workers' Delegate Assembly in Washington, DC. The Human Rights of Woman makes woman powerful and gears them to change their lives as well as the communities and even the lives of their children. Much of our social problems are related to the women folk and a realization of the same will veer the women towards a new awakening. This will also be an eye opener for much of our global and cultural problem. The issue of Human Rights of Woman is not a concern for women only rather it is a matter of the humanity at large. The general tendency of viewing woman as a part of that culture which needs to be nourished and preserved has to be abandoned because much of the evil lies within the very practice of that culture which stifles the very freedom and existence of woman at large resulting to repression and marginalization.

**1.3 <u>Violence against Women:</u>**

The great epics of the Indian system like the Ramayana and the Mahabharata also depicts the sorry state of the women class. Violence against women is a long prevalent question as well as a worldwide occurrence overlooking the aspect of socio-economic background. During the Vedic period Indian women were held in high esteem which declined later. As India went through the invasions beginning from Alexander to the Huns, the Arabs and the Turks, the status of women denigrated abominably. Thereafter the feudal society brought the affirmation of the patriarchal system which approved social disparities among Indian women like child marriage, female foeticide, torture, humiliation and exploitation etc. It was somewhere in the 18th century and the 19th century that some social reformers took the cudgel to bring some social changes in the form of emancipation of women from superstition, misleading customs and tradition etc. With the progress of the civilisation and the improved status of women with the gaining of education and economic independence one can visualise an excellent future for women but the Indian Ideologies and institutional practices and the prevalent societal norms challenges the aspect of Human Rights of Woman. It is seen that although Human Rights for Woman is a much spoken about matter, innumerable women still fall prey to happenings which tell about violence in the form of beating, kidnapping, rape, burning of daughter-in-laws, wife battering, sexual abuse, maltreatment of widows or elderly women, female foeticide, trafficking of women and murder etc. The independence of India has materialized the establishment of equality between men and women with the declaration of the Indian constitution "... the right to equality for all citizens irrespective of caste, creed, sex or place of birth." Though there is a rise in the ratio of educated and empowered women, a majority of them is still trapped within the dismal state of existence. Various agencies like religious practices, social make-up, and representation of women in the society and also technology related problems like sex determination and female foeticide are the major reasons of violation of human rights of women. On the face of the medical examination of the sex of the foetus it can be ascertained that if this continues in some parts of India like Gujarat, Maharashtra, Madhya Pradesh, Uttar Pradesh and Bihar female sex ratio would decline drastically ruining the balance of population. The infringement of Human rights is noticed in numerous cases of wife beating but many cases are not brought to light due to social stigma related to it. The Dowry System in India is another agent of violating Human Rights of women. Bride-burning, torment afflicting in-laws and in many cases the parents of the bride also stifle the voice of dissent in their daughter by asking her to live a life of subjugation and torture. Even though there have been the assertions of two amendments of the dowry Prohibition Act, death owing to dowry have not decreased. Then there is the instance of certain social customs like '*Devadasi*' which denigrate the status of women because a survey revealed that most of these girls end up turning prostitutes. It is an alarming fact that most of these girls are illiterate and belongs to the '*Harijan*' class. There is also the astounding incidence of violence against women in insurgency hit areas like the north Eastern part of India and the

perpetrators of this crime are infringing upon the rights of women in all spheres. It is also seen that in the work place like those amongst the manual women labours the breach of human rights is observed when for equal amount and duration of work, a woman labour is under paid in comparison to a male labour.

**Conclusion:**

With the backdrop of much injustice against women and infringement of Human Rights of Women one can still be hopeful for a healthy future for women on the wake of various laws implemented for the safety of the women class. Ban-Ki-Moon, Secretary General of United Nations says that-

"Until women and girls are liberated from poverty and injustice, all our goals-peace, security, sustainable development-stand in jeopardy."

The vibrant political and social movements in India has lead to the establishment of some remarkables policies like the Sati Prevention Act of 1987, Domestic Violence Act of 2005 and the 73rd and the74th Amendments to the Constitution that facilitates reservation for Women to enter politics at the Panchayat level in India. To ensure these rights there are various governmental and non-governmental bodies such as the Women Commissions to implement such policies and further they have decentralized these policies to the state as well as district level authorities that have also included local non- governmental organisation. But sadly in India there is a wide rift between the policies and the path of implementation because of lack of good governance. Even though the state receives fund it holds inadequate for the practice of corruption thus making investments in sectors of public works as well as women empowering aspects highly unachievable. Apart from these reasons, the social malfunction and practice of neglect and marginalization of women etc. are other impediments on the path of achieving Human Rights of women.

The Indian society discriminates against women and offers much lesser opportunities at home, work place, and society thus restricting mobility, economic equality and access to education as they are deemed inferior to the men folk. The violation of Human Rights also is noticeable with respect to class and caste of a woman which determine the choices of a woman.

Whatsoever the passing of the Women's Bill-in April 2010 by the Rajya Sabha offering 33.3% reservation of women in all strata of Indian politics ensures 181 out of 543 seats at the parliament level and 1370 seats out of the 4109 seats at the State Assembly level. It is a historic step in the scenario of Indian political system as against the current figure of occupancy of less than 10% seats of the national Parliament by women. Therefore we can at least hope for a better situation in all aspects of the society for the women class on the face of implementation of such rights once it is passed by the Lok Sabha. It is also needless to say that irrespective of such implementations the society needs orientation to uphold a revolutionized outlook towards women to bring in a new lease of life and vitality amongst women and eliminate various barrier and boundaries existing in the life of any women.

ooo

# ঈশ্বৰ যুগে যুগে মানৱৰ ছদ্মবেশত

নিৰুপমা ৰাভা (প্ৰাক্তন ছাত্ৰী)
অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী,
বন্দপাৰা আঞ্চলিক হাইস্কুল

ব্যাসদেৱে ৰচনা কৰা ধৰ্ম শাস্ত্ৰত বিশ্বপতি ভগৱন্তং প্ৰভু কৃষ্ণই সখা অৰ্জুনক কোৱাৰ ছলেৰে সমস্ত মানৱ জাতিক উদ্দেশি কৈছে-

"যদা যদাহি ধৰ্মস্য গ্লানি ৰ্ভৱতি ভাৰত।
অভ্যুত্থানম্ অধৰ্মস্য তদাত্মনাম্ সৃজামি অহম্।।
পৰিত্ৰাণায়ঃ সাধুনাং বিনাশয়শ্চ দুস্কৃতাম্।
ধৰ্মঃ সংস্থাপনাৰ্থায় সম্ভাৱামি যুগে যুগে।।"

অৰ্থাৎ যেতিয়াই বিশ্ব জগতত ধৰ্মৰ গ্লানি হয়, অধৰ্মৰ প্ৰাদুৰ্ভাৱ হয়, তেতিয়াই দুষ্টক দমন আৰু সাধুসকলক ৰক্ষা কৰি ধৰ্ম সংস্থাপন কৰিবৰ বাবে মই যুগে যুগে অৱতাৰ গ্ৰহণ কৰোঁ।

পৰম ব্ৰহ্ম প্ৰভু ঈশ্বৰৰ দহোটা অংশ অৱতাৰৰ ৰূপ ধৰ্মশাস্ত্ৰত পোৱা হৈছে। যেনে-

মৎস, কুৰ্ম্ম, নৰসিংহ বামন, পৰশুৰাম
হলিৰাম, বৰাহ শ্ৰীৰাম।
বুদ্ধ, কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম।।

এই দশ অৱতাৰৰ ভিতৰত প্ৰধানকৈ চাৰিযুগত চাৰিটা পূৰ্ণ অৱতাৰৰ কথাহে বিশেষভাবে ঈশ্বৰ তত্বৰ বিষয়ে আমি শাস্ত্ৰত পাইছোঁ। সেই চাৰিওটা যুগতে পৰম ব্ৰহ্মাই নিজৰ লীলা-মাহাত্ম্য জগতত প্ৰকাশৰ বাবে সাধাৰণ মানুহৰ আকৃতি ধৰি আহি তেৰাই সৃষ্টি কৰা মানৱ জাতিক ঈশ্বৰ তত্ত্ব শিকাই একান্ত ঈশ্বৰ ভক্তসকলক নিজৰ পৰিচয় দি আহিছে। ভগৱন্ত পুৰুষ হ'ল অক্ষয়, অব্যয়, অজিত। ঈশ্বৰৰ জন্মও নাই, মৃত্যুও নাই। তেৰাই মানৱক জ্ঞান দিয়াৰ ছলেৰে যুগে যুগে সাধাৰণ মানুহৰ ছদ্মবেশত থাকি নিজৰ লীলা মাহাত্ম্য প্ৰকাশ কৰে। ধ্যানযোগে ব্ৰহ্মা দৰ্শন কৰিব পৰা ঋষি-মুনি সকলে অহংকাৰতে ব্ৰহ্মত্ব পৰীক্ষা কৰিছিল। বৃন্দাবনত গৰু চাৰি থাকোতে ব্ৰহ্মাই গাই দামুৰীবোৰ লুকুৱাই থৈ ৰং চাইছিল। জাম্বুৱন্তই চিনি নাপাই স্যামন্তক মুণিৰ বাবে চৈধ্যদিন কৃষ্ণৰ লগত মল্ল যুদ্ধ কৰি ভাগৰি পৰিছিল আৰু উপায়হীন হৈ জীয়েক জাম্বুৱতীক শ্ৰীকৃষ্ণলৈ বিয়া দিছিল। হৰে চিনি নাপাই হৰিৰ লগত যুদ্ধ কৰিছিল। এনে উদাহৰণ বহুতো আছে। যুগে যুগে সাধাৰণ মানুহৰূপে অৱতাৰিত পুৰুষজনাৰ ছদ্মবেশ বুলি অলৌকিক ছবি দৰ্শন কৰিব পাৰে মাথোন কেইজনমান একনিষ্ঠ ভকতে। যিসকলে আত্মা-পৰমাত্মাৰ লগত সম্পৰ্ক বুজিব পাৰিছে তেওঁলোকেহে ঈশ্বৰ ভক্তিৰ ৰস পান কৰি আত্ম তৃপ্তি লাভ কৰিছে। ভক্তিৰ বলত ৰামক ঈশ্বৰ ৰূপে চিনি পাইছিল হনুমন্তই, নৰসিংহক প্ৰহ্লাদে, কপিলক দেৱহুতিয়ে, শ্ৰীকৃষ্ণক ভীষ্ম, উদ্ধৱ, বিদুৰ আৰু মৈত্ৰেয়ীহে বুজি পাইছিল, তেওঁ বহুবাৰ অলৌকিক মহিমাৰ কথা প্ৰদৰ্শন কৰাতহে। অইনবোৰৰ বাবে কৃষ্ণ অস্পষ্ট। এই আত্মিক আনন্দত মানুহৰ আয়ুস বৃদ্ধি হয়। নিৰ্গুণ, নিৰাকাৰ, নিৰ্বিকাৰ, নিৰ্লিপ্ত পুৰুষ হৈয়ো তেওঁ মনুষ্য দেহ ধাৰণ কৰি মানৱ লীলা কৰিবলৈ জন্ম গ্ৰহণ কৰে। যিসকলে একান্ত ভকত সেই সকলে দেহ, মন, বাক্য অৰ্পণ কৰি ঈশ্বৰৰ পাদপদ্ম যুগলতে বিক্ৰয় যায়। তেনে ভকতে সামান্য অশ্ৰুজলেৰে নিবেদন জনালেও ভগৱন্ত সন্তুষ্ট হয়। ঈশ্বৰ ভক্তি কৰিবলৈ ন বিধ ভক্তিৰ কথা শাস্ত্ৰত পোৱা গৈছে। সেই কেইবিধ হ'ল-(১) অৰ্চন (২) বন্দন (৩) আত্ম নিবেদন (৪) পদসেৱন (৫) শ্ৰৱণ (৬) স্মৰণ (৭) কীৰ্ত্তন (৮) সতীত্ব আৰু (৯) দাসত্ব। ইয়াৰ ভিতৰত বৰ্তমান কলি যুগত শ্ৰৱণ-কীৰ্ত্তনহে শ্ৰেষ্ঠ।

ভাৰতীয় জন সমাজত প্ৰচলিত ধৰ্মৰ সকলো কাল্পনিক আৰু আন্ধবিশ্বাস অনুকৰণ, কু-সংস্কাৰ আদি মুচি পেলাই ধৰ্মৰ সনাতন স্বৰূপহে শাস্ত্ৰ উপযোগীকৈ প্ৰণয়ন কৰি বিশ্ব শান্তিৰ বাবে প্ৰচাৰ কৰিব লাগে। ঈশ্বৰৰ চাৰিটা যুগৰ চাৰিটা পূৰ্ণ অৱতাৰৰ লীলা মালাৰ বিষয়ে তলত সংক্ষেপে আলোচনা কৰা হ'ল।

**১। সত্যযুগ ঃ** আদি সত্যযুগত পৰম ব্ৰহ্ম প্ৰভু ঈশ্বৰে নাৰায়ণ নাম লৈ পূৰ্ণ অৱতাৰ গ্ৰহণ কৰে। এই অৱতাৰত তেৰাই সৃষ্টি

কৰা আদি মানৱ ব্ৰহ্মাক ধ্যানযোগে পৰমেশ্বৰৰ ব্ৰহ্মতত্ত্ব লাভ কৰাৰ জ্ঞান প্ৰদান কৰে। গতিকে ব্ৰহ্মা এজন মানুহে, কোনো দেৱতানহয়। ব্ৰহ্মাৰ উৰুৰ পৰা জন্ম লাভ কৰা পুত্ৰ নাৰদে গোটেই বিশ্ব ব্ৰহ্মাণ্ডতে ঈশ্বৰৰ নামগুণ গাই সাংসাৰিক হৈয়ো যে ঈশ্বৰ ভক্তি কৰি তৰি যাব পাৰে তাৰ বাবে মানৱ সমাজক ভক্তি জ্ঞান প্ৰদান কৰে।

২।.ত্ৰেতাযুগ ঃ এই যুগত পুণ্যভূমি ভাৰতবৰ্ষতে সাধাৰণ মানুহৰ ৰূপত শ্ৰীৰামচন্দ্ৰ নাম লৈ ভগৱন্ত প্ৰভু ঈশ্বৰে পূৰ্ণ অৱতাৰ ধাৰণ কৰে। সাংসাৰিক লেঠাত পৰি মাহীমাকৰ প্ৰৰোচনাত চৈধ্য বছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাস খাটি লংকাৰ ৰাক্ষস ৰজা ৰাৱণক বধ কৰি লংকা ৰাজ্য ছাৰখাৰ কৰে। এই যুগত তেৰাৰ একান্ত ভকত বীৰ হনুমানৰ দ্বাৰা ৰাৱণৰ তত্ত্বাৱধানত ৰখা সতী শান্তি সীতাক উদ্ধাৰ কৰি লোক সমাজত শান্তিৰ বাবে সীতাক বনবাস দিয়ে আৰু বনবাসতে শ্ৰীৰামচন্দ্ৰৰ দুই পুত্ৰ লৱ- কুশৰ জন্ম হয়। এইদৰে ত্ৰেতা যুগত সাধাৰণ মানুহৰ ৰূপ ধাৰণ কৰি নানা লীলা মাহাত্ম্য প্ৰকাশ কৰি ভক্ত হনুমানৰ দ্বাৰাই সাগৰত সেতু বন্ধাই ভাৰত আৰু শ্ৰীলংকাৰ মাজত সংযোগৰ ব্যৱস্থা ৰাখি থৈ গৈছে। এই যুগত যজ্ঞ কৰি ঈশ্বৰক লাভ কৰাৰ ব্যৱস্থা মানুহে কৰি লৈছিল। এই যুগত মানুহে ঈশ্বৰক পোৱাৰ মূল পন্থা বুলি ভাবিছিল পূজা পাতালৰ দ্বাৰাহে।

(৩)দ্বাপৰ যুগঃ দ্বাপৰ যুগত মানৱ ৰূপে অৱতাৰ ধাৰণ কৰি শ্ৰীকৃষ্ণ নামেৰে ভগৱন্ত প্ৰভু ঈশ্বৰে পূৰ্ণ অৱতাৰ গ্ৰহণ কৰে। এই যুগত ভগৱন্তই কেচুৱা অৱস্থাৰ পৰাই জন্মদাতা পিতৃ-মাতৃ বাসুদেৱ-দৈৱকী আৰু পালিতা পিতৃ-মাতৃ নন্দ-যশোদাৰ নানা লীলা কাৰ্য্য কৰি দেখুৱাই বাল্যকালতে মোমায়েক দৈত্যৰাজ কংসক বধ কৰিছিল। এই দ্বাপৰ যুগতে ঈশ্বৰে গুৰু-শিষ্যৰ গভীৰ সম্পৰ্ক ৰাছি তেৰাৰ গুৰু সান্দিপনি মুনিৰ দ্বাৰা অস্ত্ৰবিদ্যা, ধৰ্মীয় দৰ্শন, ৰাজনীতি, সমাজনীতি আদি শিক্ষা গ্ৰহণ কৰি দেখুৱাই মানৱক জ্ঞান দিছে। তাৰ পিচত ভাই-ককাইৰ পাৰ্থক্য ৰাখি অহংকাৰী কৌৰৱ আৰু নিৰহংকাৰী পাণ্ডৱৰ মাজত যুদ্ধ লগাই ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয় সেই কথাকে স্পষ্ট কৰিছে।

৪। কলিযুগ ঃ কলিযুগৰ আৰম্ভণীতে ভগৱন্ত প্ৰভু ঈশ্বৰে মানুহৰ শৰীৰ ধাৰণ কৰি পূণ্য ভূমি অসমৰ বৰদোৱাত শ্ৰীমন্ত শংকৰদেৱ নাম লৈ অংশ অৱতাৰ গ্ৰহণ কৰে। এই ভগৱন্ত প্ৰভু শংকৰদেৱক ঈশ্বৰ জ্ঞান কৰিছিল তেওঁৰ একান্ত ভকত, প্ৰিয় শিষ্য মাধৱদেৱেহে। তেতিয়াৰ পৰা অসমত একশৰণ নাম ধৰ্মৰ প্ৰতিষ্ঠা আৰু প্ৰচাৰ হ'ল। কিন্তু অতি কম সংখ্যক লোকেহে এই ভাগৱত ধৰ্মৰ মূল তত্ত্ব বুজি পালে। বহু সংখ্যকে একশৰণ নাম ধৰ্মৰ তত্ত্ব নুবুজি শংকৰী সংঘ, ভাগৱতীয়া, সত্ৰীয়া, মহাপুৰুষীয়া বুলি ভাগ ভাগ কৰি আচল তত্ত্বৰ পৰা আঁতৰি গ'ল। মহাপুৰুষ গুৰুজনাই গুৰু শিষ্যৰ সম্পৰ্ক জগতক দেখুৱাবৰ বাবে শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিৰ দ্বাৰা আধ্যাত্মিক জ্ঞান গ্ৰহণ কৰি দেখুৱাইছিল।

বৰ্তমান কালৰ শেষ আৰু সত্যযুগৰ সন্ধিক্ষণত সেইজনা শ্ৰীশংকৰ গুৰুৱে পূৰ্ণ অৱতাৰত কল্কিৰূপে কৃষ্ণগুৰু নাম লৈ পুণ্য ভূমি বৰপেটা জিলাৰ ন সত্ৰ ধামত লীলা কৰি আছে। এই ছদ্মবেশী অৱতাৰী পুৰুষজনাই লোক উদ্ধাৰৰ বাবে শিশুৰ পৰা বৃদ্ধলৈকে পৱিত্ৰ একশৰণ নাম ধৰ্ম প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰি গুৰু-শিষ্যৰ সম্পৰ্ক বজাই ৰাখিছে। ইংৰাজী মাধ্যম আৰু অসমীয়া মাধ্যমৰ হাইস্কুল দুখন, মহাবিদ্যালয়ে ক্ৰমান্বয়ে কলা, বাণিজ্য (কমাৰ্চ) আৰু বিজ্ঞান শিক্ষাৰ ব্যৱস্থাৰ বাবে চৰকাৰী পাঠ্যক্ৰমৰ লগতে আধ্যাত্মিক জ্ঞান (আত্মা সম্পৰ্কীয়) চিন্তা-চৰ্চা কৰাৰ ব্যৱস্থা ৰাখিছে। ইয়াত সাংস্কৃতিক প্ৰতিযোগিতা, খেল-ধেমালি প্ৰতিযোগিতা আদিৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক জ্ঞান বৃদ্ধিৰ ব্যৱস্থাও আছে। পিতৃ-মাতৃৰ সেৱাৰ বাবে আদি গুৰু দিৱস, দ্বিতীয় গুৰু 'শিক্ষাগুৰু বা আচাৰ্য্য দিৱস' আৰু তৃতীয় গুৰু শৰণ দাতা গুৰু সেৱাৰ বাবে "গুৰু জয়ন্তী" উৎসৱ আদি পালন কৰা হয়। ইয়াত এখনি বিশ্ববিদ্যালয় শিক্ষানুষ্ঠান স্থাপন কৰা কাম অগ্ৰগতিত চলি আছে। স্কুলীয়া, কলেজীয়া শিক্ষাৰ পাঠ্যক্ৰমৰ লগতে সৃষ্টি-স্থিতি-প্ৰলয়ৰ অধিকাৰী কেৱল এক ঈশ্বৰৰ লীলা-মাহাত্ম্যৰ গুণানুকীৰ্তনৰ আধ্যাত্মিক বিষয় ইয়াত সন্নিবিষ্ট কৰা হৈছে। ইয়াত কোনো কাল্পনিক দেৱ-দেৱীৰ শিক্ষা দিয়া নহয়।

তেৰাৰ সেই লীলা কাৰ্য্য দৰ্শন আৰু অধ্যায়ন কৰাটো বৰ্তমানৰ মানৱ সমাজৰ কৰ্তব্য আৰু দায়িত্ব বুলি ভাবি তেৰাৰ ওচৰলৈ যাব লাগে। এইয়ে জীৱশ্ৰেষ্ঠ মানৱ সমাজলৈ আমাৰ কৰযোৰে আহ্বান।

জয়তু বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়
'জয় আই অসম'

# গোসাইগাঁও অঞ্চলৰ কোচ-ৰাজবংশী সম্প্ৰদায়ৰ জন্ম, মৃত্যু সম্পৰ্কীয় লোকাচাৰ

অৰণী কান্ত অধিকাৰী
প্ৰাক্তন ছাত্ৰ

সংস্কৃতি জাতিৰ দাপোন। যি জাতি, জনগোষ্ঠী আৰু যি অঞ্চল সংস্কৃতিত চহকী সেই জাতি, জনগোষ্ঠী আৰু অঞ্চল বা দেশে নিজৰ পৰিচয়ৰ দ্বাৰা প্ৰতিষ্ঠিত হয়। এই পৰিচয়ৰ দ্বাৰা নিজক জগত সভালৈ লৈ যায়। এক মান বিশিষ্ট সংস্কৃতিয়ে আন সংস্কৃতিৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। অসমীয়া সংস্কৃতি উচ্চমান বিশিষ্ট এক নিজস্ব বৈশিষ্ট্যৰে পৰিপূৰ্ণ সংস্কৃতি। অসমীয়া সংস্কৃতিৰ বৰঘৰটো বাৰে ৰহণীয়া আৰু বাৰেবৰণীয়া। অসমখন বিভিন্ন জনগোষ্ঠীৰে অৱদান অতুলনীয়। সেয়ে অসমখন অতীজৰে পৰা ঐতিহ্যপূৰ্ণ আৰু ৰুচিসন্মত সংস্কৃতিৰ বাহক হৈ আহিছে। বৰ্তমান সময়ত এই সংস্কৃতিবান আৰু ঐতিহ্যপূৰ্ণ অসম আৰু অসমীয়া জাতিটো ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক কাৰণত থানবান হ'বলৈ আৰম্ভ কৰিছে। কোনো এখন ৰাজ্য বা কোনো এটা জাতিৰ সমন্বয়ৰ বাহক হৈছে সংস্কৃতি। যি জাতিৰ সংস্কৃতি দুৰ্বল, সেই জাতি পৰিচয়হীন হৈ পৰে। সময়ৰ গতিত বিশ্বায়নৰ লগে লগে সংস্কৃতিৰ আদান -প্ৰদান হোৱাটো স্বাভাৱিক। এই আদান-প্ৰদানৰ ফলত নিজ নিজ সংস্কৃতি ক্ষয়িষ্ণু হ'বলৈ দিয়াটো উচিত নহয়। আনহাতে বৰ্তমান সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তত আৰু বিভিন্ন সাহিত্যত লোক-সংস্কৃতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি পুৰণিক বৈজ্ঞানিক নতুন দৃষ্টি-ভঙ্গীৰে চোৱাৰ মানসিকতা প্ৰকট হৈ উঠিছে।

অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভিতৰত কোচ ৰাজবংশী সকল অন্যতম। অসমৰ আৰু অসমীয়া সংস্কৃতি গঢ়াত এই জাতিটোৰ অৱদান গুৰুত্বপূৰ্ণ। এই জাতিটো ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি সকলোফালৰ পৰাই বঞ্চিত আৰু অৱহেলিত। বিভিন্ন সময়ত এই অৱহেলিত জাতিটোক আৰু সংস্কৃতিক আগবঢ়াই নিবৰ বাবে নতুন পুৰুষসকলে চেষ্টা অব্যাহত ৰখাটো লক্ষণীয়। কোচ-ৰাজবংশী জাতিটো বৃহৎ মঙ্গলীয় জনগোষ্ঠীৰ অন্তৰ্ভুক্ত। আৰ্যসকলৰ আগমণৰ পূৰ্বৰ পৰা উত্তৰ পূৱ ভাৰত তথা অসমত বাস কৰা অষ্ট্ৰিক জনজোষ্ঠীৰ লোক সলকৰ লগতে মঙ্গলীয় সকলে বসবাস কৰি আহিছে। তেওঁলোকৰ জাতিগত তথ্যক লৈ পণ্ডিত আৰু গৱেষক সকলৰ মাজত মতভেদ থাকিলেও বেছিভাগ পণ্ডিতে তেওলোকক মঙ্গোলীয় বুলি ঠাৱৰ কৰিছে। আৰ্যসকল অহাৰ পিছত তিব্বত-বৰ্মী বড়ো ফৈদৰ উক্ত মংগোলীয় লোকসকলে আৰ্য সভ্যতা আৰু সংস্কৃতিৰ সংস্পৰ্কলৈ আহে আৰু হিন্দুলৈ পৰিৱৰ্তিত হয়। অসমত কোচ বুলিলে বৰ্ণ হিন্দুৰ কিছুমান লোকক বুজালেও বংগৰ জলপাইগুৰি, কোচ বিহাৰ আৰু অসমৰ পশ্চিম অঞ্চলত বিশেষকৈ অবিভক্ত গোৱালপাৰা অঞ্চলৰ যিসকল ৰাজবংশী লোক, তেওঁলোক প্ৰকৃততে কোচহে। অবিভক্ত গোৱালপাৰাক বাদ দি অসমৰ অন্যান্য ঠাইৰ কোচ-ৰাজবংশীসকল বৃহৎ অসমীয়া জাতি আৰু সংস্কৃতিত বিলীন হ'লেও উল্লেখিত অঞ্চলৰ ৰাজবংশীসকলৰ সুকীয়া সাংস্কৃতিক বৈশিষ্ট্য পৰিলক্ষিত হয়। কোচ ৰাজবংশী লোক সকলৰ বিষয়ে বহুত লেখকে গ্ৰন্থ আৰু প্ৰবন্ধপাতি বিভিন্ন পত্ৰ পত্ৰিকা আৰু আলোচনীৰ পাতত লিখা দেখা যায়। কোচ-ৰাজবংশীসকলৰ অঞ্চল ভেদে ভাষা, চলন ফুৰন, খোৱা-বোৱা আচাৰ-ব্যৱহাৰ আদিত কিছু পাৰ্থক্য দেখিবলৈ পোৱা যায়।

ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাৰ ক্ষেত্ৰত সম্প্ৰতি পশ্চিম অসমৰ কোচ ৰাজবংশী সকলে আৰ্য সংস্কৃতিৰ নীতি-নিয়ম পৰম্পৰা আদি মানি চলিলেও তেওঁলোকৰ বেছিভাগ অনুষ্ঠানতে জাতীয় বৈশিষ্ট্য বিদ্যমান। বেছি ভাগ পূজা-পাতালৰ লগতে নৃত্য আৰু গীতৰ প্ৰচলন আছে। তেওঁলোকে প্ৰকৃতিৰ দেৱ-দেৱী অৰ্থাৎ নৈৰ দেৱতা, বনদেৱতা, ভূত-প্ৰেত আদি মানি চলে। ধৰ্মীয় বিশ্বাসৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত শৈৱ, শাক্ত, বৈষ্ণৱ আৰু বৌদ্ধৰ প্ৰভাৱ লক্ষণীয়। তেওঁলোকে

শৈৱ পূজা, সৰ্পদেৱী বা বিষহৰি বা মনসা পূজা, দুৰ্গা, লক্ষী, নাৰায়ণ, বিষ্ণু, হৰি, বাস্তুৰ ঠাকুৰ, তুলসী গছ, সুবচনিপূজা, শীতলা পূজা, কাতি পূজা, ল'ৰা বা ছোৱালী জন্মৰ এমাহ পিছত বুঢ়ীপূজা আদি মানি চলে।

বিভিন্ন জাতিৰ মাজত প্ৰচলিত বিভিন্ন সামাজিক প্ৰথা থকাৰ দৰে এওঁলোকৰ মাজতো বিভিন্ন ধৰণৰ সামাজিক প্ৰথাৰ প্ৰচলন আছে। সময় প্ৰৱাহত প্ৰচলিত প্ৰথাসমূহলৈ পৰিবৰ্তন লক্ষ্য কৰিলেও পৰম্পৰাগত বহু নীতি-নিয়ম, দস্তুৰ আদিৰে আজিও জনগোষ্ঠীটোৱে স্বকীয় সত্বাক জীয়াই ৰাখিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত কোচ ৰাজবংশীসকলৰ জন্ম, মৃত্যু, বিবাহ সম্পৰ্কীয় প্ৰথাসমূহ বিশেষভাৱে মন কৰিবলগীয়া।

পশ্চিম অসমৰ গোসাইগাঁও অঞ্চলৰ বিশেষ ভাৱে কৃষকৰ শিশুৰ জন্মক কেন্দ্ৰ কৰি কোচ-ৰাজবংশী সম্প্ৰদায়ৰ সমাজত প্ৰচলিত কিছুমান স্ত্ৰী আচাৰ, লোক বিশ্বাস আৰু ৰীতি-নীতি আদি এতিয়াও পৰম্পৰা অনুসাৰে চলি আছে। স্ত্ৰী আচাৰবোৰ বিবাহিত মহিলাই গৰ্ভধাৰণ কৰা অৱস্থাৰ পৰা শিশুৰ জন্মৰ পিছলৈ পালন কৰা হয়। বিবাহিত মহিলাৰ ঋতুস্নান বন্ধ হ'লে কোচ-ৰাজবংশীসমাজত 'গাৱভাৰী' হোৱা বোলে। এই সময়ত মহিলাগৰাকীয়ে কিছুমান বাধা, নিষেধ আৰু নীতি-নিয়ম মানি চলাটো অপৰিহাৰ্য। অপৰিষ্কাৰ হৈ থকা, গধূৰ বস্তু তোলা, বন্ধা-বঢ়া কৰা আৰু ঘৰৰ আন কষ্টৰ কাম কৰিবলৈ দিয়া নহয়। এনে অৱস্থাত কোনো ধৰণৰ পূজা-পাতল কৰিবলৈ দিয়া নহয় কাৰণ বিশ্বাস 'ঠাকুৰ''ৰ হাৱা লাগিব পাৰে। মহিলাগৰাকীক এই সময়খিনিত ৰুচি অনুসৰি আহাৰ গ্ৰহণ কৰিব দিব লাগে আৰু ৰাতি অকলে লোহাৰ বস্তু আদি লগত নোলোৱাকৈ বাহিৰলৈ ওলোৱা, শ্মশানলৈ যোৱা, শ্ৰাদ্ধৰ নিমন্ত্ৰণ ৰক্ষা কৰা নিষেধ। 'গাৱভাৰী' মহিলা গৰাকীৰ তল পেট বিষালে 'পোইৰা বিষ' উঠা বুলি কয় আৰু এই বিষ অনিষ্টকাৰী শক্তিৰ দ্বাৰ হয় বুলি বিশ্বাস কৰি ওজা, কবিৰাজ, ফকিৰ আদিৰ পৰা মন্ত্ৰপুত পানী আনি শৰীৰত ছটিয়ায়। তিনিমাহ গৰ্ভ অৱস্থাত মহিলাগৰাকীক মন্ত্ৰপুত 'জাপ' দিয়া হয়। এই 'জাপ' প্ৰসূতি অৱস্থালৈকে ৰখা নিয়ম। গৰ্ভৱতী মহিলাগৰাকী দুৰ্বল হৈ পৰিলে অনিষ্টকাৰী স্ত্ৰী শক্তি 'প্যতানী' অনিষ্টকাৰী পুৰুষ শক্তি 'দুৱাৰী ঠাকুৰ' আৰু কেতিয়াবা 'হামেলে' ধৰা বুলি ওজা-কবিৰাজ মাতি জৰা-ফুকা কৰাৰ লগতে ঠাকুৰবাৰীত পূজা সেৱা দিয়ে। পূজা-সেৱা সাধাৰণতে ছ-মাহত দিয়া হয় যদিও এই সময়ত দিব নোৱাৰিলে ন-মাহত দিয়ে। অপায়-অমঙ্গলৰ পৰা ৰক্ষা পাবলৈ গৰ্ভৱতীৰ লগত লোৰ-সঁজুলি, শোৱা বিছনাত ফটা-চিঙা মাছ ধৰা জালৰ অংশ ৰাখে। কোনো কোনো অঞ্চলত লোৰ তাবিজ গল বা হাতত বান্ধি লয়, ঝাকিজালৰ গুলি কংকাল, গল বা হাতত বান্ধি লোৱাৰো নিয়ম আছে।

গৰ্ভৰ পাঁচমাহত 'পঞ্চভূজ' খোৱাৰ নিয়ম। এই অঞ্চলৰ কোচ-ৰাজবংশী গৰ্ভৱতী মহিলাসকলে পাঁচ বিধ ফলৰ দুটা টোপোলা কৰে। এটা টোপোলা ঠাকুৰৰ মন্দিৰৰ ভিতৰত আঠদিন ৰাখি ব্ৰাহ্মণ, ভিক্ষাৰী বা সাধুলোকক দান কৰি দিয়ে। আন এটা টোপোলা ফল গৰ্ভৱতী মহিলাগৰাকীয়ে খায়। পতিৰ ঘৰতহে এই নিয়মটো সমাধা কৰে । গৰ্ভৰ সাত মাহত 'সাধ খোৱা নিয়ম । সম্পূৰ্ণ মহিলাৰ অনুষ্ঠান। 'সাধখোৱাৰ সময়ত মহিলাসকলে কোঠাটোৰ দুৱাৰ খিৰিকি বন্ধ কৰি লয়। পুৰুষ আৰু ল'ৰা-ছোৱালীৰ প্ৰৱেশ নিষেধ। হয়তো অভিজ্ঞ মহিলাসকলৰ দ্বাৰা সন্তান সম্ভৱা মহিলাগৰাকীক মানসিক ভাৱে প্ৰস্তুত কৰি লয়। এই অনুষ্ঠান মহিলাগৰাকীৰ মাতৃ গৃহত আয়োজন কৰে। যদি মহিলা গৰাকী মাতৃ গৃহলৈ যাব পৰা অৱস্থাত নাথাকে, তেতিয়াহ'লে মাতৃগৃহৰ পৰা পাঁচ বা সাতগৰাকী সধৱা মহিলাক চাউল, গাখীৰ, পিঠা, মৌ, মাছ, মাংস, দাইল, পায়স আদিৰ লগতে ৰঙা পাৰীৰ এখন শাৰী শাখা সেন্দুৰ দি এটি শুভ দিনত গৰ্ভৱতী মহিলা গৰাকীক 'সাধ' খোৱাৰ বাবে পঠিয়াই দিয়ে। সাধ' খুৱাবলৈ অহা সধৱা মহিলাসকলৰ প্ৰথম সন্তান জীৱিত থকা বাঞ্চনীয়। বিধৱা সন্তানহীনা, প্ৰথম সন্তানৰ মৃত্যু হোৱা মহিলাই এই অনুষ্ঠানত যোগ দিব নোৱাৰে। চন্দ্ৰ গ্ৰহণ, সূৰ্যগ্ৰহণ, খৰবাৰ, একাদশী আদিত 'সাধ'খোৱা নিষেধ।

ৰাজবংশী লোকসকলে প্ৰসূতি গৃহক 'ছুৱাঘৰ' বোলে। প্ৰসৱৰ দিনা প্ৰসৱকাৰ্যৰ নিপুনা মহিলা (ধাইৰাণী) সন্তানক 'নেইপাত' (কলপাত)ত ভূমিষ্ঠ কৰায়। বাঁহৰ চুচনিৰে সন্তানৰ নাৰী কাটে। প্ৰসূতিৰ ফুল প্ৰসূতি গৃহৰ দুৱাৰ মুখত পুতি থয়। আনজীৱ জন্তুৰ মুখত পৰিলে প্ৰসূতি আৰু সন্তানৰ অপকাৰ হয় বুলি বিশ্বাস কৰে। অপায়-অমংগলৰ পৰা ৰক্ষা পাবলৈ প্ৰসূতিগৃহত শামুকৰ খোলাৰ মালা বগৰীগছৰ পাত বা বগৰী গছৰ ডাল বা কাঁইটীয়া গছৰ ডাল, ছুৱা বাঢ়নী আদি ৰাখে। সন্তান জন্ম হোৱা ঘৰৰ আগিয়ানত (চোতাল) 'ডেৰাঘৰ' সাঁজি দিয়ে। 'ডেৰাঘৰৰ চাৰিওফালে বগৰীগছৰ ডাল বা কাইটীয়া গছৰ

ডালেৰে বেৰি ৰাখে, যাতে দেও-ভূত নাপায়। 'ধাইৰাণী'য়ে নাৰী ছেদন কৰোঁতে ল'ৰা সন্তান হ'লে সাত আঙুল আৰু ছোৱালী সন্তান হ'লে পাঁচ আঙুল নাৰী ৰাখি সাতবাৰ আৰু পাঁচবাৰ পেছ দি বান্ধে। ভূমিস্থ সন্তানক মৌৰ লগতে হালধী ৰসো ব্যৱহাৰ কৰে। গোঁসাইগাঁও অঞ্চলৰ কোচ-ৰাজবংশী সমাজত সন্তান জন্মৰ তিনিদিনৰ দিনা নাপিতৰ দ্বাৰা পিচ, ভৰিৰ আঙুলিৰ নখ, হাতৰ আঙুলিৰ নখ কাটে। লগে লগে মাতৃৰো ভৰি আৰু হাতৰ নখ কাটি দিয়ে। তেৰ দিনলৈ মাতৃ আৰু সন্তানক চুৱা বুলি জ্ঞান কৰা হয়। সন্তানকো নতুন বস্ত্ৰ পৰিধান কৰায়। বংশ পৰম্পৰা অনুসৰি এঁকৈশ বা ত্ৰিশ দিনৰ দিনা নাপিত ব্ৰাহ্মণ মাতি আনি দান দক্ষিণা কৰি চুলি খুৰাই দিয়ে। কিছুমানে আকৌ ওঠৰ মাহত 'বুড়ী পূজা' পাতি এই কাম সমাধা কৰে। জন্মৰ পৰা ১৮০ দিনত কোনো বাৰ তিথি নোচোৱাকৈ অন্নপ্ৰাসন আয়োজন কৰিব পাৰে। এই সময়ত কেচুৱাটোক বিয়া কৰাবলৈ যোৱা দৰা এজনৰ নিচিনা সজোৱা হয়। অন্ন প্ৰাসনৰ সময়ত কেঁচুৱাৰ মোমায়েকৰ কৰণীয় বহুখিনি থাকে। মাতুল গৃহৰ পৰা নতুন কাপোৰ, সোণ, পাটি, বিচনাচাদৰ, কাঁহৰ বাটি, থাল, গিলাচ আদি আনি ব্যৱহাৰ কৰি পূজাৰ প্ৰসাদ, পায়স আদি খুৱাব লাগে। অন্নপ্ৰাসনৰ আঢ়ৈ দিনৰ দিনা সন্তানক লৈ মাক দেউতাক শহুৰৰ ঘৰলৈ যায়।

গোঁসাইগাঁও অঞ্চলৰ কোচ ৰাজবংশী লোক সকলৰ মাজত মৃত্যু বিষয়ক ৰীতি-নীতি সমূহত বৈদিক আৰু পৰম্পৰাগত লোকাচাৰসমূহৰ সংমিশ্ৰণ হোৱা পৰিলক্ষিত হয়। এই অঞ্চলটো উত্তৰ বংগৰ বেছি ওচৰ চপা বাবে উত্তৰ বংগৰ ৰাজবংশী লোক সকলৰ কিছু কিছু আচৰণ সোমাই পৰিছে। এনে ৰোগীৰ উশাহ নিশাহ বন্ধ হোৱাৰ আগে আগে গীতা এখন ৰোগীৰ ওচৰত ৰখা হয় আৰু মৃত্যুৰ লগে লগে এই পুথিখন বুকুৰ ওপৰত ৰখা হয়। মৃত্যুমুখী লোকক আত্মীয়-স্বজন আদিয়ে মুখত গংগাৰ জল দিয়ে। মৃত্যুৰ লগে লগে গীতাপাঠ আৰম্ভ কৰে আৰু কান্ধত গুৰু মন্ত্ৰ দিয়ে। এইখিনিতে লক্ষণীয় যে মৃতকক কোনোবা এজনে শ্মশানলৈ নয়াৰ আগমুহূৰ্তলৈ চুই থাকিব লাগে, নহ'লে মৃতক ভূত হয় বুলি বিশ্বাস কৰে। বাঁহেৰে 'খাটলী' তৈয়াৰ কৰে। গোটেই শৰীৰত হালধী সানি নতুন কাপোৰ আৰু বগা চন্দনেৰে ফোঁট দি মৃতক সজাই বগা ৰঙৰ কাপোৰেৰে ঢকা খাটলীত ৰখা হয়। যাৰ পুত্ৰ সন্তান আছে, সেয়ে প্ৰথমতে 'খাটলী' কান্ধত লয় আৰু আনক খাটলী ধৰিব দিলেহে খাটলী ধৰি শ্মশানলৈ নিয়ে। স্বামীৰ আগেয়ে মৃত্যু হ'লে মহিলা গৰাকীক ন বোৱাৰীৰ লেখিয়াকৈ সজোৱা হয় আৰু বৰ্ণ হিন্দুৰ মহিলাৰ দৰে শিৰৰ সেন্দুৰৰ ফোট ভৰিৰ বুঢ়া আঙুলিৰে মচি দি শাখা চুৰিবোৰ খুলি ৰাখে বা ভাঙি দিয়ে। ৰাতিলৈ মৃতকৰ ঘৰত সংকীৰ্তন বা নাম কীৰ্তন কৰা হয়। এওঁলোকৰ মাজত অস্থি ৰখা বা বিসৰ্জন দিয়া নিয়মো আছে। অস্থি শ্মশানৰ পৰা আনি মাটিৰ পাত্ৰত ভৰাই গংগাত বিসৰ্জন নিদিয়া পৰ্যন্ত তুলসীগছৰ তলত মাটিৰ ঢিপ কৰি পুতি থৈ সদায় সাৰি মুচি চাকি বন্তি জ্বলায়। শ ঘৰৰ বাহিৰলৈ উলিয়াই আনি কমধৰা পুত্ৰ জনে বাওঁ হাতেৰে কোৰ এখন লৈ চোতালত উত্তৰা-দক্ষিণাকৈ মাটিত তিনিডাল আঁচ টানিব লাগে। সেই তিনিডাল আঁচৰ ওপৰত মৃতকৰ মূৰটো উত্তৰ দিশৰ ফালে ৰাখি ভৰি দুখন দক্ষিণ দিশত পৰাকৈ শুৱাই ৰাখি ধূপ দীপ লগায়। মৃতক যদি মহিলা হয় শ্মশানত নিয়াৰ আগে আগে ন বোৱাৰীৰ নিচিনাকৈ সজাই স্বামীয়ে শেষবাৰৰ বাবে শিৰত সেন্দুৰ পিন্ধাই পুনৰ ভৰিৰ বুঢ়া আঙুলিৰে মচি দিয়াৰ নিয়ম আছে যদিও সাধাৰণতে হাতৰ আঙুলিৰে মচি দিয়ে। এইখিনিতে উল্লেখযোগ্য যে গৰ্ভাৱস্থাত মৃত্যু হ'লে মাটিত পুতি থয়। কিন্তু Ô ÷ Ê≈»±Ò¯Ò Ã÷Ç1 {áÔ –Ê≈Ã1Ã1± Ãup– ৮০) পৰা পোৱা তথ্য অনুসৰি শ্মশানলৈ যোৱাৰ পিছত গৰ্ভৱতী মৃতকৰ পেট স্বামীৰ দ্বাৰা ফালি পেটৰ ভিতৰৰ পৰা সন্তানক উলিয়াই পুনৰ পেটটো চিলাই কৰি কেচুৱাটোক পুতি থয় আৰু মাতৃক দাহন কৰে। শ্মশান যাত্ৰাত লগত নিয়ে পাঁচটুকুৰা হালধী, পাঁচ টুকুৰা আদা, শুকতি, পাটাৰকোষ্টা, তুলসীপাত, দুৰ্বা, তিল, কশাল (হৰ্তকী) আদি। ইয়াৰ উ পৰি বাৰ বছৰৰ তলত মৃত্যু হ'লে, অপঘাতত মৃত্যু হ'লে মাটিত পুতি থয়। সাপে খুটি মৃত্যু হ'লে ভেলকৰি শ উটু ৱাই দিয়ে। মৃতকক মুখাগ্নি কৰাৰ সময়ত এজনে 'সমাজী'ৰ দৰকাৰ হয়। এই সমাজীজনে এটা পানী ভৰা সৰু চিদ্ৰ থকা কলহ কান্ধত লৈ মুখাগ্নী কৰা ব্যক্তিজনৰ লগে লগে যিমানবাৰ ঘূৰে সিমানবাৰ ঘূৰে। ইয়াকে 'কাকিৰী' শালত সুমোৱা প্ৰথা বুলি কোৱা হয়।

মৃত্যুৰ চাৰি দিনৰ দিনা জীয়েক জোঁৱায়েকে পিণ্ডদান কৰি শ্ৰাদ্ধ অনুষ্ঠান কৰে। এই প্ৰথমটো সাধাৰণতে বঙালী সমাজত দেখা যায়। আন আন মৃতকৰ কৰণীয় কাৰ্যবোৰত বৰ্ণ হিন্দুৰ আৰ্য সংস্কৃতিৰ বৈদিক আচৰণ সমূহ পৰিলক্ষিত হয়।

জাতিৰ জাতীয় জীৱনত লোকাচাৰ, পৰম্পৰাক নুই কৰিব নোৱাৰি। ইয়াৰ দ্বাৰা জাতি এটাৰ ৰুচি, সংস্কৃতি আৰু ঐতিহাসিক পৰিচয় পোৱা যায়। তথাকথিত শিক্ষিত চামে

এইবোৰ আন্ধবিশ্বাস বা কুসংস্কাৰ বুলি ভাবিলেও ইয়াৰ মাজেদি লোকনীতিবোৰ পালন কৰা মানেই নিৰক্ষৰ, অশিক্ষিত নহয়। এইবোৰ সমাজ জীৱনৰ এৰাব নোৱাৰা সম্পদ। সেয়েহে নতুন চামে লোকাচাৰবোৰ চৰ্চা আৰু অধ্যয়নৰ জৰিয়তে আগুৱাই নিয়াটো অতীব প্ৰয়োজনীয়।

সহায়ক গ্ৰন্থ ঃ

(১) ভকত, ড০ দ্বিজেন্দ্ৰ নাথ - অসমৰ কোচ ৰাজবংশী জনজাতি।

(২) বৰ্মন, কৃষ্ণ - বেনা - মুখপত্ৰ - কোকাৰাঝাৰ বিহুৱা উৎসৱ উদ্ যাপন সমিতি, শক্তি আশ্ৰম (২০০৯)

(৩) বৰ্মন, প্ৰবীন - কোচৰাজবংশী পৰম্পৰাত জন্ম-মৃত্যু সম্পৰ্কীয় ৰীতি-নীতি।

(৪) ৰায়, প্ৰভাত - গোৱালপৰীয়া সমাজ, সভ্যতা আৰু সংস্কৃতি।

তথ্য দাতাসকল ঃ

(১) নলীন ৰায়, গাঁও- চৌতাৰা - ৯১

(২) মাখন বৰ্মন, গাওঁ - খলিচানি - ৬০

(৩) গীতা বৰ্মন, গাঁও- চৌতাৰা - ৬১

(৪) পাৰুল বৰ্মন, গাঁও- চিখিলা - ৭২

(৫) মতিলাল সিং, গাঁও- চিখিলা- ৮৭

(৬) পুষু বৰ্মন, গাওঁ- হাথাছাৰা - ৮০

০০০